Shri Abul Hussain Mir :— Sir, in my observation also I agree with some of. the observations already made. But still then what has been stated in the budget, in the figures of the budget it appears that there is scanty resources of the Government. Government cannot go beyond it. At the present moment, I should say the Brahmaputra Flood Control Commission is only maintaining their status quo, and in the case of works also they are only maintaining status quo and no developmental works could be taken. For example, I say that from Silghat to Dhing dyke was to be constructed. But practically they failed to fulfil the object, because they never anticipated that the agriculturists cover the whole area covering 3 Constituencies Kaliabor, Samaguri, and Rupahi and also Dhing. All these areas have been dry areas ard due to absence of water people cannot grow jute and at the time of harvest this should be revised. For want ratting tanks jute harvesting is to suffer. So I think the incessant demand from the public of Goroimari should be taken into consideration. When they maintains the status quo they do not aim to benefit the people and if it goes against the interest of the agriculturists there will be great set back. Therefore, I would draw the attention of the Minister to do something with whatever source it has for the good of the agriculturists. If they really want to improve the flocd situation by raising some dyke for the agriculturists it should be done in time and they should also get some sluice gates. I also draw the attention of the Govt., because the Central Govt. is not really taking

much interest, to take up the Branmaputra Flood Control Commission immediately. We should persuade the Govt. of India to take vigorous efforts to take up such projects. Again I say the protection work should be taken up in time. The department should be alerted, where the corruption lie in the protection work. When carriages are done by head, it is shown truck is arranged, when 300 (three hundred) bags of cement are supplied, the bill is submitted for 1000 bags. I would therefore rquest to take more cautiously about the protection work and in execution of the schemes. With this observation I support the cut motion. No, No, I oppose the cut-motion.

The House reassembled after lunch at 2-30 p. m. with Hon'ble Speaker in the chair.

শ্ৰীপীটসিং কোন্বৰ ঃ—মাননীয় অধ্যক্ষ মহোদয়, বামপানী নিয়ন্ত্ৰন বিভাগৰ মঞ্জুৰীৰ বিপৰীতে যিটো কৰ্ত্তন প্ৰস্তাৱ আহিছে এই প্ৰস্তাৱটো সমৰ্থন কৰি মই দুৱাষাৰমান কথা কব বিচাৰিছো। অধ্যক্ষ মহোদয়, আপুনি এই বিভাগ টোৰ নাম কি দিব খুজিছে মই নাজানো কিন্তু মই এইটোৰ নাম দিব খুজিছো ফ্লাড ডিকনট্ৰল ডিপাৰ্টমেণ্ট। অসমীয়াত কবলৈ হলে বান অনিয়ন্ত্ৰন বিভাগ। কিয়নো ই বান নিয়ন্ত্ৰন হলে ব্ৰহ্মপুত্ৰ বা অন্যান্য উপনৈ বিলাক বা এৰাক নদীৰ মথাউৰি বন্ধাৰ কাৰণে যিবিলাক কাম কৰিছিল সেই বিলাক ভাল দৰে কৰিলেহেতেন। কিন্তু তাকে নকৰি যধে মধে অত অলপ-মান তত অলপমান কাম কৰি ৰাইজক দেখুৱাইছে যে চাওক, আমি মাথাউৰি বান্ধি বান নিয়ন্ত্ৰন কৰিব বিচাৰিছো। আচলতে ভাল দৰে কাম কৰা হলে বহুত ভাল ভাল কাম এই বিভাগটোৱে কৰিব পাৰিলেহেতেন। কিন্তু প্ৰকৃত পক্ষে চালি-জাৰি চালে দেখা যাব যে প্ৰকৃততে বান নিয়ন্ত্ৰন হোৱা নাই। বহুত ঠাইত ব্ৰহ্মপুত্ৰৰ মাঠাউৰি একালে কৰিছে ইফালে কৰা নাই। উদাহৰণ স্বৰূপে শিলঘাটৰ পৰা ঢিঙলৈ মাঠাউৰি কৰিছে, ঢিঙৰ পৰা ভুৰাগাৱলৈ মাঠা-উৰি কৰিলে কিন্তু তাৰ ভিতৰত ২৬ কিঃ মিঃ মাঠাউৰি আজিলৈকে নিৰ্মাণ

নহল। ভাৰত স্বাধীন হোৱাৰ আজি ২৭ বছৰ হ'ল কিন্তু এই ২৭ বছৰৰ ভিতৰত ২৬ কিঃ কিঃ মাঠাউৰি হৈ নুঠিল। মন শিমলুৰ পৰা শিলৰিলৈকে এই মাঠাউৰি চোৱা নোহোৱাৰ কাৰণে ৰাইজৰ বিশেষ অসুবিধা হৈয়ে আছে। আৰু এই মাঠাউৰি চোৱা নোহোৱাৰ কাৰণেই মায়ং অঞ্চল সদায় বানপানীত তল গৈ আহিছে। এই মাঠাউৰি চোৱা নহলে এই অঞ্চলক ৰক্ষা কৰিব পৰা নাযাব। ইয়াৰ কথা সুধিলে এইটো এটা ক্ৰনিক বেমাৰ বুলি কয়। কাৰণ ক্ৰনিক বেমাৰ নিবাৰণ কৰিব পৰা নহয়। এনেকুৱা বেমাৰ পৃথিৱীত নাই যিটো বেমাৰ নিবাৰণ কৰিব নোৱাৰি। হয় বেমাৰী মৰিব নহয় বাচিব কিবা এটা নিশ্চয় হবই। কিন্তু এইটো কি ক্ৰনিক বেমাৰ হল কব নোৱাৰো এইটো নমৰেও নেবাচেও। সেই দৰে নগাওঁ জিলাৰ কপিলিৰ দক্ষিণ পাৰে ৩ কিঃ মিঃ মাঠাউৰী নিৰ্মান কৰিবলৈ বাকী থাকিল। এইটো কিলিং কপিলিৰ জংচন বুলি কব পাৰি। এই তিনি কিঃ মিঃ মাঠাউৰী নোহোৱাৰ কাৰণে সেইখিনিৰ ৰাইজ জুৰুলা হৈ আহিছে। যোৱাবাৰ কোনোবা মানুহে বাকী বিলাক আৰামত থাকিব আমিনো কিয় পানীৰ তলত থাকিম বুলি ভাবি মাঠাউৰিটো কাটি দিলে। এই ধৰণৰ নতুন মাঠাউৰি নোহোৱাৰ ফলত ৰাইজ জুৰুলা জুপুৰা হৈ আহিছে। যোৱা বাৰ আমাৰ ৰাজ্যত ৭টা বানপানী হৈ গল। আগত যিবিলাক মাঠাউৰি কৰিছিল সেইবিলাক ভালদৰে নিৰ্মাণ কৰা হলে এই ৭টা বানপানীত ৰাইজ ইমানকৈ ভুগিবলগীয়া নহল হেনেত।

এই আধৰুৱা মাঠাউৰি বিলাকতো শ্লুইচ গেটৰ ব্যৱস্থা নাই। পথাৰৰ পানী ওলাই যাবলৈ শ্লোইচ গেট নাই। এনেকুৱা কিছুমান শ্লোইচ গেট আছে যিবিলাকত পথাৰৰ পৰা পানী ওলাই যাব নোৱাৰে। কিন্তু নদীৰ পৰা পানী পথাৰলৈ যাব পাৰে। কোন ইঞ্জিনিয়াৰে এই বিলাক নিৰ্মাণ কৰিছিল কব নোৱাৰো। আহতগুৰি চাপৰমুখৰ পৰা ধৰমতুললৈ যোৱা ৰাস্তাত এটা শ্লোইচ গেট আছে যিটোত নদীৰ পৰা পানী পথাৰলৈ সোমাব পাৰে কিন্তু পথাৰৰ পৰা পানী নদীলৈ যাব নোৱাৰে। আৰু এটা শ্লোইচ গেট ভেলোগুৰিত সাজিছে এইটো ইমান ওখ পাহাৰৰ ওপৰত সাজিছে যে এই শ্লোইচ গেটেৰে পথাৰৰ পৰাও পানী নদীলৈ যাব নোৱাৰে আৰু নদীৰ পৰাও পানী পথাৰলৈ যাব নোৱাৰে। এই ধৰণেৰে কাম কৰি আমাৰ

টকাৰ কেৱল অপচয়হে কৰিছে ; এই বিভাগত কাম কৰা মানুহখিনিয়ে নিজৰ ঘৰ-দুৱাৰ কৰি লৈছে কিন্তু বাইজৰ কাৰণে একো কৰিব পৰা নাই। সেই কাৰণেই এতিয়া কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰক টকা নিদিয়া হৈছে।

কেন্দ্ৰীয় চৰকাৰে এইটো আজি ভালদৰে বুজি পাইছে যে, অসমত ব্ৰহ্মপুত্ৰৰ মাঠাউৰি নিৰ্মাণ কৰিবৰ কাৰণে যিমান বিলাক টকা কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰক দিছিল সেই টকা বিলাক অপচয়হে হৈছে। সেই কাৰণেই অসম চৰকাৰক টকা দিয়া নাই। আজি প্ৰায় দুই তিনিমাহ মানৰ আগতে আমাৰ মুখ্যমন্ত্ৰী দিল্লীলৈ গৈছিল কেন্দ্ৰীয় চৰকাৰক বাননিয়ন্ত্ৰনৰ কথাটো বুজাবৰ কাৰণে। কিন্তু কেন্দ্ৰীয় চৰকাৰ ভাত মান্তি নহল। পৰিকল্পনা হিচাবে আচনি লগলেহে টকা দিব নহলে নিদিয়ে। তেতিয়া হতাশ হৈ কলিকতাত আমাৰ মুখ্যমন্ত্ৰীয়ে এটা বিবৃতি দিলে যে, ব্ৰহ্মপুত্ৰত মঠাউৰি কৰিব পৰা নেযাব। নদীৰ পাৰে পাৰে কিছুমান ওখকৈ ভেটি বনাব আৰু বাৰিষা ফেনে-ফুটুকাৰে যেতিয়া বানপানী আহিব তেতিয়া সকলো বিলাক বয়-বস্তু. মানুহ-দুনুহেৰে সৈতে তাত উঠি থাকিব আৰু বাৰিষা যোৱাৰ লগে লগেই সকলো বিলাক তাৰ পৰা নামি আহি আগৰ আগৰ জেগাত বসবাস কৰি থাকিবহি। মাঠাউৰি মাৰিবৰ কাৰণে এই ভেটি বনাবৰ কাৰণেহে টকা দিব বুলি কৈছে। মুখ্যমন্ত্ৰীৰ এইবিলাক বিবৃতি বাতৰি কাকতত্তো প্ৰকাশিত হল।

তাৰ পিছত যেতিয়া বাৰিষা বানপানী আহে তেতিয়া আমাৰ বিভাগীয় মন্ত্ৰীয়ে বালিৰ বস্তা পুৰা কৰি আৰু তাত বানপানী ভেটাদিবলৈ কয়। ঠিকদাৰসকল ইয়াৰ কাৰণে তৎপৰ হৈ থাকে। তেওঁলোকে বালি দিয়াৰ কথা বাদেই থাকিল, বস্তাবিলাককে তাত পেলাই দিয়ে আৰু তাৰ পিছত ইমান হাজাৰ বস্তা বালি পেলাইছে বুলি বিল বনাই দেখুৱাই সেই পইচাবোৰ লৈ ডাকবংলাত ৰহি ভাগবতৰা কৰি লয়গৈ। আমাৰ নগাওঁৰ হাতীমুৰা বান্ধৰ বোলকা হোৱা যিবিলাক কথা হৈছিল আৰু আমি গম পাইছো সেইবিলাকৰ পৰাহে মই এইখিনি কথা কৈছো। বাহঁৰটো হিচাবেই নাই। গছৰ ডাল কিছুমানকে খাৰা কৰি পানী ভেটা দিবলৈ বিচাৰে। এই দৰে বহুত বিলাক কেৰোণ আছে। ঠিকাদাৰসকলৰ কথা বাদেই, অফিচৰ কেৰাণী সকলেও ফাক মাৰি মিছা বিল আদি পাছকৰি পা-পইছা খাবলৈ

আৰম্ভ কৰিছে। বেলেগ মানুহৰ নামত ঠিকা আদিলৈ, টেণ্ডাৰ কৰি, বিল পাছ কৰি পা-পইছা খাই আছে। আমাৰ বিভাগীয় মন্ত্ৰী মহোদয়, নগাৱঁলৈ যাওঁতে এইবিলাক কথা তেখেতৰ দৃষ্টিগোচৰ কৰা হৈছিল। নগাৱঁৰ কেইবা জনো কেৰাণীয়ে বে-নামী মানুহৰ নামত টেন্দাৰ দিছিল। যিবিলাক মানুহৰ নামত এই টেন্দাৰ বিলাক দিয়া হৈছে সেইবিলাক মানুহেই গম নেপায় যে তেওঁলোকৰ নামতেই কোনোবাই বে-নামীভাৱে এই কাম কৰি আছে। চহী বিলাকো সোৱেঁ-বাৱে মাৰি দিয়ে। এই বিষয়ে লিখা চিঠিপত্ৰ বোধহয় বিভাগীয় মন্ত্ৰী মহোদয়ে ইতিমধ্যে পাইছে। আমাৰ মাননীয়াসদস্যা শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী ডাঙৰীয়াণীয়ে থিকেই অভিমত দিছিল যে, এইধৰণে মঠাউৰিৰ কাম কৰাতকৈ ব্ৰহ্মপুত্ৰখন আগৰ দৰেই খুলি দিলেই ভাল হব। কোনো কোনো জেগাত বিভীষিকাৰ সৃষ্টি কৰিব যদিও তাৰ পৰা বহুত বিলাক জেগাত সকলো বিলাক খেতিয়েই ভাল হব। মাছ পুঠিও উভৈনদী হব। কিন্তু তাকে নকৰি আধৰুৱাকৈ কৰিবলৈ গলে কোনোটো কামেই হৈ নুঠিব। ইয়াৰোপৰিও, আজি ছয় সাত বছৰৰ আগতে কিছুমান ঠিকাদাৰে উত্তৰলক্ষীমপুৰত কিছুমান ঠিকাৰ কাম লৈছিল কিন্তু সেইবিলাক ঠিকাদাৰে কাম কৰিও আজি ইমান দিনে তেওঁলোকৰ প্ৰাপ্য টকাবিলাক পোৱা নাই-কীয়া। অকল উত্তৰ লক্ষীমপুৰৰ মানুহেই তাত নাই, অসমৰ অন্যান্য জেগাৰ বহুত মানুহো তাত আছে। কাম কৰিবলৈ ঠিকা ললে কিন্তু কাম কৰাৰ পিছত সেই টকা যে আজিও পোৱা নাই সেইটোৰ প্ৰতি আমাৰ বিভাগৰ মন্ত্ৰীজনে চাব লাগে বুলি মই বিশেষ ভাৱে অনুৰোধ কৰিছোঁ। তাৰ কিছুমান জেগাত যত শ্লুইছ গেট আদি নাছিল তাত সদায় বৈ থকা জান-জুৰিবিলাক সাময়িকভাৱে খুলি দিলেও হয়তো কেতিয়াবা কৰবাত অলপ পানী ডুবি হৈছিল যদিও তাৰ দ্বাৰা বেছি ভাগ জেগাতেই বহুত খেতি বাতিৰ কাৰণে সুবিধাও হৈছিল। সেইবিলাক জান-জুৰি হঠাতে বন্ধ কৰি দিয়াৰ ফলত অকল এটা মৌজাই নহয় কেইবাটাও মৌজা এইদৰে ক্ষতিগ্ৰস্ত হোৱাৰ উদাহৰণ আছে। আমাৰ নগাৱঁৰে ফুলগুৰি জানৰ এনেকুৱা এটা কেছ বোধহয় আমাৰ মন্ত্ৰীমহোদয়ে পাইছেই। এই জানটো হঠাৎ বন্ধ কৰি দিয়াৰ ফলত যি অসুবিধা হল আমাৰ মন্ত্ৰীমহোদয়লৈ দিয়া কাগজপত্ৰতে তেখেতে পাব। এইদৰে টকা-পইছা বিলাকৰ দ্বাৰা আমাৰ ৰাইজ উপকৃত হবপৰা নাই বৰং তাৰ দ্বাৰা টকা

পইছাবিলাক অপচয় হৈছে আৰু ৰাইজো ক্ষতিগ্ৰস্ত হৈছে। এইবিলাকৰ বিষয়ে আমাৰ নতুন মন্ত্ৰী মহোদয়ে চাব লাগে। তেখেত কাম কৰিবলৈ আহিছে গতিকে তেখেতে এইবিলাক কাম চাব লাগিব। ব্ৰহ্মপুত্ৰৰ যিটো মাঠাউৰিৰ ২৬ কিলোমিটাৰ আজিও অসম্পূৰ্ণ হৈ আছে সেই টুকুৰা পুৰ্ণ কৰি দিব লাগে। অহাবছৰৰ ভিতৰতে এইটো কৰিব লাগে বুলি মই অনুৰোধ কৰিছোঁ! এইটো কৰি দিব পাৰিলে নগাৱঁৰ মৰিগাৱঁৰ ১৬ টা মৌজাৰ ভিতৰত ১৩ টা মৌজাই ইয়াৰ দ্বাৰা উপকৃত হব। ইয়াৰ কাৰণে মন্ত্ৰীমহোদয়ে চাব লাগিব। এইটো যাতে এটা ক্ৰ'নক দিজি'জ বুলি নধৰে। ইয়াৰ আগৰ চৰকাৰে এইটো মায়ঙৰ পুৰণি বেমাৰ বুলি ভাবিয়েই ইয়াৰ কাম নকৰিছিল।

তাৰোপৰি, আৰু এটা কথা দেখি বৰ বেয়া লাগে আৰু সেইটো হৈছে যে, আমাৰ মন্ত্ৰী মহোদয় যেতিয়াই যলৈকে যায় তাতেই দেখা যায় যে, কিছুমান মানুহে ২৪ ঘন্টাই তেখেতৰ চাৰিওফালে ঘেৰাও কৰি থাকে। আমি ৰাইজৰ প্ৰতিনিধি হিচাবে কেতিয়াবা কিবা কবলৈ গৈ মহা বিপাঙত পৰিব লগা হয়। এই লোকসকলে মন্ত্ৰীৰ মুখলৈ চাই থাকে। মন্ত্ৰীয়ে হাঁহিলেই হাঁহে আৰু মন্ত্ৰীয়ে কান্দিব খুজিলে তেওঁবিলাকেও কান্দিবলৈ আৰম্ভ কৰে। তেওঁলোকৰ বদলি ইত্যাদিকে আদি কৰি বহুত কামৰ কাৰণে আহি এইদৰে মন্ত্ৰীৰ চাৰিওফালে ঘেৰি থাকেহি। অলপতে আমাৰ বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয় যাওঁতে দ্ৰুবাৰ চেষ্টা কৰিও মই তেখেতক লগ কৰিব নোৱাৰিলোঁ। কণ্ট্ৰেক্টৰ আৰু আগ কণ্ট্ৰেক্টৰসকলে তেখেতক ঘেৰি আছে। এইবিলাক কথা আমাৰ মন্ত্ৰীসকলে বিশেষভাৱে চাব লাগে। ছয় সাত বছৰ একে ঠাইতে থকা ইঞ্জিনিয়াৰকো একে জেগাতে ৰাখিব খোজে কিন্তু কেতিয়াবা নতুন মানুহ দিব খুজিলেও বেয়া মানুহ বা তেনেকুৱা ধৰণৰ অজুহাত উলিয়াই তাত নিয়োগ কৰাটো নিবিছাৰে। এই শ্ৰেণীৰ মানুহবিলাককনো কি নাম দিম ? এই বিলাকক কিবা দালাল বুলিয়েই কমনে নাই অন্য কিবা ৰাজনৈতিক নেতা বুলিয়েই কম ? মন্ত্ৰীসকলেই এইটো বুজি চাওক। আমি শুনি বৰ ভাল পাইছিলো যে, আমাৰ মাননীয় মুখ্য মন্ত্ৰী যেতিয়া শাসনত অধিষ্ঠিত হৈছিল তেতিয়া দুৰ্নীতি দুৰীকৰণ আৰু দালাল সকলক প্ৰশ্ৰয় নিদিব বুলি কৈছিল। কিন্তু আজি দুই তিনি বছৰে

যিটো দেখা পাইছো এই দালালসকলৰ সংখ্যা বাঢ়িছেহে। কেতিয়াবা মটৰে চেপিও মাৰিব পাৰে।

আমাৰ মুখ্যমন্ত্ৰী উপস্থিত আছে। আগৰ মন্ত্ৰী সভাই দালালৰ প্ৰশ্ৰয় দিয়াৰ অভিযোগ তুলিছিল সেইটো যাতে ইয়াত নাখাটে আৰু মন্ত্ৰী সভা পৰিস্কাৰ হয় আৰু দালাল যাতে দেখিব নাপাও তাৰ প্ৰতি সতৰ্কতা অবলম্বন কৰিব। মই আশা ৰাখিছো আমাৰ বাননিয়ন্ত্ৰণ মন্ত্ৰী ডাঙৰীয়াই খুব ভাল কাম কৰিব আৰু দুষ্ট মানুহ বিলাকক যাতে প্ৰশ্ৰয় নিদিয়ে তাৰ বাবে অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

ডাঃ কোমেশ্বৰ বৰা :— অধ্যক্ষ মহোদয়, বাননিয়ন্ত্ৰণৰ শিতানত যি কৰ্তন প্ৰস্তাৱ উত্থাপিত হৈছে তাৰ সমৰ্থন কৰিবলৈ গৈ দুষাৰ মান কবলৈ বিচাৰিছোঁ। বাননিয়ন্ত্ৰণৰ নামত এঠাইত ৪ কোটি ৮৬ লাখ ৪৮ হাজাৰ আৰু আন এঠাইত ৩ কোটি ৫২ লাখ টকা ধৰিছে মুঠতে ৮ কোটি ৩৮ লাখ ৪৮ হাজাৰ টকা বিচাৰিছে। আমি দেখিছো এই টকা খৰচ হোৱাৰ বিনিমনত প্ৰত্যেক বছৰে বানপানীৰ প্ৰকোপ বাঢ়ি গৈছে। আমাৰ মথাউৰিৰ নামত যি টকা খৰছ হৈছে তাৰ লাভ লোকচান বিশ্লেষন কৰি চোৱা দৰকাৰ। মথাউৰি হোৱাৰ পিচৰ পৰা প্ৰত্যেক বছৰে বানত মানুহৰ মৃত্যুৰ সংখ্যা বাঢ়ি গৈছে। যি মথাউৰি বিলাক ৰাতি ভাঙে নতুবা কোনোবাই কাটি দিয়ে নতুবা পানীৰ খুন্দাত ভাগি যায় আৰু মানুহ উটুৱাই নি মৃত্যুৰ মুখত পেলায়। এই মথাউৰি হোৱাৰ পিচৰ পৰাই ব্ৰহ্মপুত্ৰৰ পলস পথাৰ বিলাকলৈ আহিব নোৱাৰে। আগতে এই বানৰ লগত পলস আহি খেতি পথাৰ বিলাক উৎকৃষ্ট কৰি তুলিছিল আৰু খেতি ভাল হৈছিল। এতিয়া যিপৰিমাণে উৎপন্ন হব লাগিছিল সেই পৰিমাণে হোৱা নাই। তাৰোপৰি মথাউৰি দিয়াৰ পিচত বিল আৰু নৈ বিলাকত মাছৰ সংখ্যা কমি আহিছে। পানী সোমাব নোৱাৰাৰ কাৰণে মাছৰ সংখ্যা কমি গৈছে। এই কেইটা কথাৰ পৰা প্ৰমাণিত হৈছে যে মথাউৰি হোৱাৰ পৰা আমাৰ খেতিয়ক সকল ক্ষতিগ্ৰস্ত হৈছে। বিশেষজ্ঞ সকলে যেনিয়ে তেনিয়ে মথাউৰি বিলাক দিয়াৰ বাবে দুখীয়া খেতিয়কৰ বহুত খেতিৰ মাটি নষ্ট হৈছে আৰু মথাউৰিত যোৱা মাটিৰ ক্ষতিপুৰণ আজিলৈকে পোৱা নাই। বহুত মথাউৰি ভাগি গল অথচ

আজিলৈকে ক্ষতিপূৰণ পোৱা নাই। গতিকে দেখা গৈছে মথাউৰিৰ পৰা উপকাৰৰ পৰিবৰ্তে অপকাৰহে হৈছে আৰু খেতি কমি গৈছে।

বাননিয়ন্ত্ৰণৰ নামত দুবছৰে ড্ৰেজাৰেৰে ব্ৰহ্মপুত্ৰৰ তলি খন্দা হব বুলি নানা কথা কলে। এই তিনি বছৰ বাইজে আশাত বহি আছে। যোৱা দুবছৰে ড্ৰাইভাৰ নোহোৱাকৈ গল। এতিয়া ড্ৰাইভাৰ পাইছে কোনোবা নদীৰ তলি খান্দিব ধৰিছে। এই ড্ৰেজাৰৰ প্ৰতি ঘন্টাত খৰচ হল আঢ়ৈ হাজাৰ টকা। এইদৰে তলি খান্দি বাইজক কিমান দূৰ সকাহ দিব পাৰিব সেইটো ভাবিব লগীয়া কথা। আজি দেখা গৈছে বান নিয়ন্ত্ৰণৰ নামত যি টকা খৰচ কৰা হৈছে সেই টকা ব্ৰহ্মপুত্ৰৰ পানীত লীন গৈছে বাইজৰ একো উপকাৰ হোৱা নাই। ইয়াৰ দ্বাৰা অৱশ্যে চাকৰিয়াল সকলে আৰু ঠিকাদাৰ সকল লাভবান নোহোৱাকৈ থকা নাই। বান নিয়ন্ত্ৰণৰ নামত খৰচ কৰা কোটি কোটি টকা অথলে গৈছে। কোনো ক্ষেত্ৰত দেখা যায় যি ঠাইত বান্ধ নহৰৰ কাৰণে বাইজে চেষ্টা কৰে সেই ঠাইত ঠিকাদাৰ সকলো উঠিপৰি লাগে বান্ধ হব লাগে নহলে নহয়। গতিকে বান্ধৰ দ্বাৰা বাইজ উপকৃত নহলেও চাকৰিয়াল সকল, বা ঠিকাদাৰ সকল উপকৃত হব সেইটো খাটাং। আমি এইদৰে বাইজৰ টকা অপচয় হোৱাটো নিবিচাৰো। যি আচঁনিৰ দ্বাৰা আমাৰ বাইজ উপকৃত হব সেই ধৰণৰ আচঁনি প্ৰস্তুত কৰিব লাগে। আমাৰ দেশত বানপানীৰ প্ৰকোপ ১৯৫০ চনৰ পৰা বাঢ়িছে। অৱশ্যে ১৯৫০ চনৰ আগলৈকে মথাউৰি হোৱা নাছিল। মথাউৰি নাথাকোতে লাহে লাহে পানী বাঢ়িছিল আৰু মানুহ বিলাক নৈৰ কাষৰ পৰা লাহে লাহে আঁতৰি গৈছিল। কিন্তু ১৯৫০ চনৰ পিচৰ পৰা প্ৰত্যেক বছৰে এশৰো অধিক মানুহ মৰে। ১৯৫০ চনৰ পিচৰ পৰা দেখিছো ব্ৰহ্মপুত্ৰৰ গভীৰতা কমি আহিছে আৰু অলপ বৰষুণ হলেই পানী বিয়পি পৰে। উপনৈ বিলাকৰ দ্বাৰা এই পানীৰ সৃষ্টি হয়। বিশেষকৈ উত্তৰ অঞ্চলত এইটো পৰিলক্ষিত হৈছে। ১৯৫০ চনৰ আগতে হিমালয়ৰ নামনিত পাহাৰৰ নামনিত এডোখৰত টেংকৰ নিচিনা আছিল। তাত জান জুৰি বিলাকৰ পানী জমা হৈছিল আৰু লাহে লাহে ব্ৰহ্মপুত্ৰৰ ফালে বৈ আহিছিল। এতিয়া সেই কাঠ বিলাক ভাঙি আহি বৰষুণ হোৱা দুইঘন্টা পিচত প্ৰবল সোতে পানী বৈ অহা দেখিবলৈ পোৱা যায়। ১৯৫০ চনৰ ভূমিকম্পৰ পিচত সেই কেটংটো

ভাঙি যায়। ফলত এতিয়া বছৰি সাত আঠটা বান হয়। গতিকে দেখা গৈছে প্ৰকৃতিৰ ভেটা কাঠ আদি ভাঙি তীব্ৰ গতিৰে পানী উপনৈ বিলাকেদি বাগৰি আহি প্ৰবল বানৰ সৃষ্টি কৰে।

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে যিবিলাক উপনৈ আছে সেই বিলাকৰ পাৰে পাৰে আগতে বন জংঘলেৰে ভৰি আছিল। কিন্তু এতিয়া বন জংঘল কাটি চাফ কৰি পেলালে। বন জংঘল থকাৰ কাৰণে আগতে এটা স্বাভাৱিক ভেটা স্বৰূপ হৈ আছিল। সেই বন জংঘল চাফ কৰাৰ পিচত এতিয়া বাৰিষা দিনত উপনৈ বিলাকেৰে পানী ২/৩ ঘণ্টাৰ পিচতে আহি ব্ৰহ্মপুত্ৰ পাইহি। সেই কাৰণে বাৰিষা আজিকালি ৩/৪ বাৰ বানপানী হয় আৰু এই বছৰ ৬ বাৰ বানপানী হল। ১৯৫০ চনৰ পিচৰ পৰা বানপানী নিয়ন্ত্ৰণৰ নামত কোটি টকা খৰছ হল আৰু বানপানী নিয়ন্ত্ৰণৰ নামত চাকৰিয়ালৰ লাভ হল আৰু ঠিকাদাৰৰো লাভ হল, কিন্তু বানপানী নিয়ন্ত্ৰণ নহল। তাৰ পৰিবৰ্ত্তে যদি অন্য দেশৰ দৰে আচনি ললেহেতেন তেনেহলে ব্ৰহ্মপুত্ৰও নিয়ন্ত্ৰণ কৰিব পাৰিহেতেন আৰু উৎপাদনো বৃদ্ধি হলহেতেন।

অধ্যক্ষ মহোদয় চিলঙৰ ওচৰত বৰাপানী নদী ভেটা দি পুখুৰী কৰি পানী জমা কৰি তাৰ পৰা বিদ্যুত উৎপাদন কৰি বিজুলী যোগান ধৰিছে। সেইদৰে উত্তৰ পাৰৰ বিশেষকৈ জীয়া ভৰলী নদীত ভেটা দি পুখুৰী কৰি পানী জমা কৰি বিজুলী উৎপাদনৰ উপৰিও খেতিত পানী যোগান বা জলসিঞ্চনৰ ব্যৱস্থা কৰিব পাৰে। উত্তৰ পাৰৰ নদী বিলাক এইদৰে ভেটা দিব পাৰিলে আমাৰ ৩টা কামত সহায় হব। (১) বিজুলী শক্তি উৎপাদন কৰিব পাৰিব। (২) কম খৰছতে খেতিত পানী যোগান বা জলসিঞ্চন ব্যৱস্থা কৰিব পাৰিব। (৩) ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণৰ আচনি কাৰ্য্যকৰী কৰাত সহায় হব। কেন্দ্ৰীয় চৰকাৰো হতাশ হৈছে আমাৰ চৰকাৰো হতাশ হৈছে আৰু আমাৰ মুখ্য মন্ত্ৰীও হতাশ হৈ বিবৃতি দিবলৈ বাধ্য হল যে আমি বানপানীৰ লগত ওতঃপ্ৰোত ভাবে জড়িত আৰু বানপানীৰ লগতে নাচি-বাগি জীয়াই থাকিব লাগিব।

অধ্যক্ষ মহোদয় আগতে ব্ৰহ্মপুত্ৰৰ দুই পাৰে বন জংঘলেৰে ভৰি আছিল। আজি সেই বন জংঘল কাটি শেষ কৰিলে। ফলত ব্ৰহ্মপুত্ৰত

খহনীয়া হৈ তবাং হৈ পৰিল। চৰকাৰে অৱশ্যে ড্ৰেজাৰ আনিছে খানিবৰ কাৰণে আৰু আমি আপত্তি কৰিব লগাও একো নাই। কিন্তু তাৰ পৰা লাভবান হব বুলি কব নোৱাৰি। সেই কাৰণে মই যি কেইটা পৰামৰ্শ আগবঢ়াইছো সেই কেইটাৰ মতে কাম কৰিব বুলি আশা কৰি কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিছো।

শ্ৰীৰাম চন্দ্ৰ শৰ্ম্মা :—অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি দুটামান পৰামৰ্শ আগবঢ়াব খুজিছো। বানপানী অসমৰ এটা ভয়াবহ সমস্যা। গোটেই বছৰটোত যিমান উৎপাদন কৰা হয় বাৰিষা চাৰি মাহতে শেষ কৰি দিয়ে। বানপানী নিয়ন্ত্ৰণৰ কাৰণে বছৰি তিনি চাৰি লাখ টকা ধৰা হয়। কিন্তু শেষত গৈ খৰচ হয়গৈ ২০ কোটিমান টকা। এইটো বান্দৰে খুটাত উঠাৰ দৰে দুফুট উঠি আকৌ চাৰি ফুট নমাৰ দৰে কথা। মই কও যে যিবিলাক আধৰুৱা বান্ধ আছে প্ৰথমতে সেইবিলাক সম্পূৰ্ণ কৰিব লাগে। কিছুমান ঠাইত একালে বান্ধ আছে একালে নাই। ফলত বান্ধ নথকা কালে ধ্বংস কৰি দিছে। কোনোবা নেতাৰ প্ৰভাৱত বা ৰাজনৈতিক কাৰণত তেনেকৈ আধৰুৱা কৰি ৰাখে। এই বান্ধৰ কাৰণে যি বিলাক মাটি অধিগ্ৰহণ কৰা হৈছে আজি ২০/১৫ বছৰেও সেইবিলাকৰ ক্ষতিপুৰণ দিয়া হোৱা নাই। ক্ষতিপুৰণৰ কাৰণে কাগজপত্ৰেও লিখিছে আৰু বাইজ বহুবাৰ গুৱাহাটীলৈ আহিব লাগে আৰু বহুবাৰ ইঞ্জিনিয়াৰৰ ওচৰলৈ যাব লাগে। এইদৰে তাত বাতি কঢ়াদি কাঢ়িছে। কিন্তু কাম একো হোৱা নাই, ক্ষতিপুৰণ পোৱা নাই। সেই কাৰণে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো প্ৰথমতে আধৰুৱা কামবিলাক সম্পূৰ্ণ কৰক আৰু দ্বিতীয়তে দিব লগীয়া বাকী থকা ক্ষতিপুৰণ বিলাক দি আদায় কৰক। ইয়াকে কৈ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী :—মাননীয় অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি কওঁ যে যদি নৈ নিয়ন্ত্ৰণ কৰিব পাৰিলেহেতেন তেতিয়া হলে অসম দেশখন কিমান ধুনীয়া যে হলহেতেন, কিন্তু তাকে কৰিবলৈ চৰকাৰ অক্ষম। নদী নিয়ন্ত্ৰণ কৰিব নোৱাৰাৰ কাৰণেই বছৰি বানপানী হৈছে। আমাৰ চৰকাৰে এই বিভাগৰ নামটো ফ্লাদ কণ্ট্ৰল নাম দি বদনাম কৰিছে। ইয়াৰ নাম দিব লাগে ৰিভাৰ ট্ৰেইনিং। পানী এটা বৰ উপকাৰী বস্তু।

ইম্বাৰে আমি জীৱন ধাৰণ কৰো খেতিত ব্যৱহাৰ কৰো। সেইকাৰণে পানী আমাৰ এটা সম্পদ। কিন্তু তাকে নিয়ন্ত্ৰণ কৰিব পৰা নাই। অন্য দেশৰ টেকনিচিয়ান বা ইঞ্জিনিয়াৰসকলে নদী নিয়ন্ত্ৰণ কৰিছে। যেনে চীনত হোৱাংহো নদী নিয়ন্ত্ৰণ কৰিছে আৰু আমেৰিকতো মিচিচিপি নদী নিয়ন্ত্ৰণ কৰিছে। কিন্তু আমাৰ ইঞ্জিনিয়াৰসকলক্যে বাহিৰৰ লগত তুলনা কৰিব নোৱাৰি। তেওঁলোক ভিতৰিহে বৰ পৰিপক্ক। আজি আমাৰ ইঞ্জিনিয়াৰকলৰ বেচি ভাগেই পেলেচিয়েল ঘৰ কৰিছে আৰু আৰামৰ জীৱন যাপন কৰিছে। আমাৰ ফকিৰাগঞ্জৰ যিটো বান্ধ তাৰ এলাইনমেণ্ট ক্ৰুটিপূৰ্ণ হোৱাৰ কাৰণেই হাজাৰ হাজাৰ মানুহ ক্ষতিগ্ৰস্ত হৈছে আৰু কিছুমান মৃত্যুৰ মুখতো পৰিছে। এই এলাইনমেণ্টৰ বিষয়ত আমাৰ ইঞ্জিনিয়াৰসকলে বিদ্যাৰ পাৰ্গতালি দেখুৱাব পৰা নাই। গদাধৰ এখন নিচেই সৰু নৈ। তাৰ বান্ধটো এতিয়ালৈকে সম্পূৰ্ণ নহল। ব্ৰহ্মপুত্ৰ নদী ভাৰতৰ ভিতৰত এখন খৰস্ৰুতা নদী। এই নদীও আজিলৈকে নিয়ন্ত্ৰণ কৰিব পৰা নাই। ফলত বানপানীও ৰোধ কৰিব পৰা নাই। ৰিটায়াৰমেণ্ট বান্ধৰ কাৰণে যি মাটি অধিগ্ৰহণ কৰিছে সেই মাটিৰ ক্ষতিপূৰণো আজিলৈকে দিয়া হোৱা নাই। আশা কৰো অনতি পলমে দিয়াৰ ব্যৱস্থা কৰিব।

তাৰ পিচত ৩ নং কথা হৈছে যি বিলাক ৰিটায়াৰমেণ্ট বান্ধৰ কাৰণে মাটি অধিগ্ৰহণ কৰা হৈছে তাৰ খতিপূৰণ আজি বহুত মানুহে পোৱা নাই। এই তৃতীয় মানুহ বিলাকৰ খেতিৰ মাটি লৈ গৈছে অথচ তাৰ ক্ষতিপূৰণ দিয়া হোৱা নাই। এই সম্পৰ্কত চৰকাৰক দৃষ্টি দিবলৈ অনুৰোধ কৰিলোঁ।

চতুৰ্থতে মই কব বিচাৰিছোঁ যে বান্ধ বিলাক মধ্যে মধ্যে নিদ আগতে নৈ বোৰ বাচি লব লাগে। যাতে এটা কাম কৰোতে তাৰ পৰা দুটা ফল পোৱা যায়। গঙ্গাধৰ নৈৰ সম্পৰ্কত ১৯৬৮ চনতেই দিল্লীৰ পৰা ইঞ্জিনীয়াৰ আহি চাই কৈ গৈছিল যে ইয়াৰ ওপৰত যদি ৰিজাৰভাৰ কৰিব পৰা হয় তেতিয়াহলে তাৰ গতিও নিয়ন্ত্ৰিত হব আৰু তাৰ পৰা বিদ্যুত শক্তিও উৎপন্ন কৰিব পৰা হব। আটাই বিলাক নৈৰ সম্পৰ্কত চৰকাৰে চিন্তা কৰিছে কিন্তু গঙ্গাধৰ নৈৰ সম্পৰ্কত চৰকাৰে এতিয়াও একো চিন্তা কৰা নাই। যোৱা বানপানীত মাঠাউৰি ভাঙি গল দলং ভাঙি গল

কিন্তু এই বিলাকৰ ভাল ব্যৱস্থা এতিয়াও একো কৰিব পৰা নাই। আৰু কিবা কৰিব পাৰিছে বুলি মই নাভাবো। এনে ধৰণেৰে কাম কৰিলে গোলোগঞ্জ টাউনখন ৰক্ষা কৰিব পৰা হব বুলি মই নাভাবো। যি বিলাক কাম হৈছে তাৰ পৰা গোলোকগঞ্জ টাউন ৰক্ষা নপৰিব। তাত থকা ৩০ হাজাৰ মানুহ ক্ষতিগ্ৰস্ত হব গৃহহীন হব। অহা বাৰিষাৰ আগতে ইয়াৰ বিহিত ব্যৱস্থা কৰিবলৈ মই অনুৰোধ কৰি কৰ্ত্তণ প্ৰস্তাৱটোৰ সমৰ্থন কৰিলো।

শ্ৰীপ্ৰেমধৰ বৰা — মাননীয় অধ্যক্ষ মহোদয়, কৰ্ত্তণ প্ৰস্তাৱটোৰ সন্দৰ্ভত মই কেইটামান পৰামৰ্শ দিব বিচাৰিছোঁ। প্ৰথম কথা হল যে বান নিয়ন্ত্ৰন বিভাগটো জন্ম হোৱাৰ পৰা আমাৰ ৰাজ্যখনত কিমান টকা খৰচ হল তাৰ এটা হিচাব মন্ত্ৰী মহোদয়ৰ পৰা বিচাৰিছোঁ।

দ্বিতীয়তে যিমান কিঃ মিঃ মাঠাউৰি ইয়াত সজা হল আৰু বান নিয়ন্ত্ৰন বিভাগৰ যি সকল কৰ্মচাৰী সেই কৰ্মচাৰী সকলৰ কিমান আমাৰ ইয়াত নিয়োগ কৰিছে, তেওঁলোকৰ গোটেই বিলাক সা-সম্পত্তি হিচাব কৰিলে কিমান হব, আৰু দুখীয়া মানুহৰ মাটি অধিগ্ৰহণ কৰি কিমান টকা এতিয়াও ক্ষতিপূৰণ দিবলৈ বাকী আছে উপাধ্যক্ষ, মহোদয়, মই এই কেইটা কথাৰ প্ৰতি মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ। কাৰণ বান নিয়ন্ত্ৰণ বিভাগে যেনে ধৰণেৰে ৰাইজৰ উপকাৰৰ কাৰণে কাম কৰিব লাগিছিল তেনে ধৰণেৰে কৰিব পৰা নাই। ফলত বান নিয়ন্ত্ৰনৰ নামত ৰাইজে কষ্টহে ভোগ কৰিছে। এই বিভাগটো আচলতে কবলৈ গলে ফুটা কলহত পানী ভৰোৱাৰ নিচিনা হৈছে। ফুটা কলহত পানী ভৰাই যেনেকৈ ৰাখিব নোৱাৰি সেই দৰে বান নিয়ন্ত্ৰন বিভাগত টকা পইচা দিলেই ৰাখিব নোৱাৰে অৰ্থাৎ তাৰ পৰা কোনো কাম নহয়। দুখীয়া মানুহৰ মাটি অধিগ্ৰহণ কৰি আনিলে তাৰ ওপৰত মাঠাউৰি সাজিলে কিন্তু ২০/২১ বছৰেও তাৰ ক্ষতিপূৰণ দিব পৰা নাই। কিন্তু ঠিকাদাৰ সকলৰ বিল বিলাক লৰালৰিকৈ পেমেণ্ট কৰি দিয়ে। দুখীয়া ৰাইজৰ পৰা লোৱা মাটিৰ কাৰণেহে ক্ষতিপূৰণ দিব নোৱাৰে। আজি চৰকাৰৰ নৈতিক দায়িত্ব হৈছে যি বিলাক দুখীয়া মানুহৰ পৰা মাটি অধিগ্ৰহণ কৰিছিল সেই বিলাকৰ ক্ষতিপূৰণ দিয়াৰ কৰ্ত্তব্য। আৰম্ভনিৰ পৰা যি বিলাক ক্ষতিপূৰণ দিবলৈ বাকী আছে সেই বিলাকৰ ক্ষতিপূৰণ দিবলৈ অনুৰোধ জনালো।

উপাধ্যক্ষ মহোদয়, আপুনি জানে যে এই বিভাগটো গঠন হোৱাৰ দিনৰ পিচৰে পৰা কিমান টকা খৰচ হল কিমান কিঃ মিঃ মাঠাউৰি হল সেইটো জনাৰ প্ৰয়োজন হৈছে। আনহাতে ভাৰত চৰকাৰে ব্ৰহ্মপুত্ৰ আয়োগৰ নামত কেচুৱাক চেনি দি ভুকুকিউৱাৰ দৰে ভুকুকিয়াই আহিছে। অসম চৰকাৰৰ যিখিনি নায্য প্ৰাপ্য সেই খিনি দিয়া নাই। আমাৰ চৰকাৰৰ যিটো আগতে ই এণ্ড ডি বিভাগ আছিল সেইটোৰ দৰেই এই আয়োগেও কাম কৰি আহিছে। তাৰ কোনো সলনি হোৱা নাই। এই আয়োগ গঠন কৰাৰ নামত বাহিৰৰ পৰা মানুহ আনি আমাৰ ওপৰত জাপি দিছে। অসম চৰকাৰৰ দুৰ্বলতাৰ সুযোগ লৈ, অসমীয়া বাইজৰ সৰলতাৰ সুযোগ লৈ ব্ৰহ্মপুত্ৰ আয়োগৰ নামত বাহিৰৰ পৰা মানুহ আনি আমাৰ ওপৰত জাপি দিয়াৰ বাহিৰে আজি ৫ বছৰে আৰু কি কাম কৰিছে? আগৰ ই এণ্ড ডি বিভাগৰ নিচিনাকৈয়ে যদি এই আয়োগেও কাম কৰি থাকে তেনেহলে ভাৰত চৰকাৰক কৈ দিয়ক হয় তেওঁলোকে ইয়াৰ কাৰণে টকা দিয়ক নহয় আমাৰ ওপৰত বাহিৰৰ পৰা যি বিলাক মানুহ আনি জাপি দিছে সেই বিলাক ইয়াৰ পৰা লৈ যাওক। ইয়াৰ বাহিৰেও আমাৰ যি বিলাক মাঠাউৰি যোৱা বানপানীত ভাঙি গৈছে সেই বিলাকৰ মেৰামতি কৰিব লাগে আৰু যি বিলাক ঠাইত মাঠাউৰি আধৰুৱা হৈ আছে সেই বিলাকৰ কাম সম্পূৰ্ণ কৰিব লাগে।

যোৱা বিধান সভাত উত্তৰ লক্ষীমপুৰৰ বান নিয়ন্ত্ৰন বিভাগৰ সম্পৰ্কত মই কিছু কথা আলোচনা কৰিছিলোঁ। সেই বিষয়ে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ। এই সকলো বিলাক নিবাকৰণ কৰি দুখীয়া বাইজৰ পইচাৰ যাতে সত্‌ ব্যৱহাৰ হয় তাকে অনুৰোধ কৰি কৰ্ত্তণ প্ৰস্তাৱটোৰ সমৰ্থন কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

শ্ৰীপ্ৰবীন কুমাৰচৌধুৰীঃ—কৰ্ত্তণ প্ৰস্তাৱটোৰ বিৰোধিতা কৰি মই দুষাৰমান কথা কব বিচাৰিছো। বাননিয়ন্ত্ৰন বিভাগটো আগতে আমাৰ মুখ্য মন্ত্ৰীৰ হাতত আছিল। বৰ্ত্তমান এই বিভাগটো এজন সুকীয়া মন্ত্ৰীৰ তত্বাৱধানত দিয়া হৈছে। মই আশা কৰিছো তেখেতৰ দিনতে যিবিলাক আসোঁৱাহ আছিল সেই বিলাক দূৰ কৰিব।

উপাধ্যক্ষ মহোদয়, সঁচা কথা কবলৈ গলে মোৰ সমষ্টিটো আধা

বানপানীত ডুবি থাকে। এটা কথা মই কালিও কৈছো আৰু আজিও কও যে মাথাউৰি বিলাক ১৯৭২ চনৰ পৰা ১৯৭৫ চনলৈকে মেৰামতি নহ'ল। এই বিলাক মাথাউৰিত পানী নিগনি আদি সোমোৱাৰ কাৰণে ভাঙি গৈছে। ইয়াৰ বাহিৰেও শিমনাত যিটো বান্ধ দিছে সেইটো বালিৰে বান্ধিছে। এইটো বালিৰে বান্ধিলে কিমান দিন থাকিব ? গতিকে এই বিলাকত স্বাৰ্থৰ ঠাইত মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমাৰ মন্ত্ৰী মহোদয় নিজে গৈ এই কথা চাই আহিব লাগে। তাৰোপৰি কিছুমান ব্যক্তিগত মানুহৰ স্বাৰ্থৰ খাতিৰত এলাইনমেণ্ট বিলাক ঠিক নহয়। এতিয়া যিধৰণৰ এলাইমেণ্ট দিছে সেই ধৰণেৰে থাকিলে এইটো কেতিয়াও টিকি থাকিব নোৱাৰিব। গতিকে এলাই-মেণ্টটো যাতে ঠিক হয় তাৰ কাৰণে চকু দিবলৈ অনুৰোধ জনালো।

গতিকে মই মন্ত্ৰী মহোদয়ক আগেয়ে কৈছো আৰু আজিয়ো সদনত কও তেখেতে নিজেই গৈ চাই আহকগৈ কেনেকৈ এই কামবিলাক হৈ আছে আৰু তাৰোপৰি কিছুমান ব্যক্তিগত মানুহৰ স্বাৰ্থৰ কাৰণে এলাইমেণ্ট থিক হোৱা নাই। এই ভাৱে এলাইনমেণ্ট দিয়াৰ কাৰণে বান্ধটো তিকি থাকিব পৰা নাই। গতিকে যাতে এই এলাইনমেণ্ট থিকমতে কৰা হয় তাক চাবলৈ অনুৰোধ কৰিলো। গুমিৰ পৰা নগৰবেৰালৈ যিটো বান্ধ আছে এই বান্ধটোৰ বহু ঠাইত যদি তেওঁলোকে ৰিপেয়াৰ নকৰে তেতিয়াহলে অইন ঠাইত এই বান্ধটো ভাঙি যাব বুলি মই ভাৱো। গতিকে সোনকালে এই বান্ধটো ৰিপেয়াৰ কৰিবলৈ মই বাননিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰীক অনুৰোধ কৰিলো। তাৰোপৰি আমাৰ যিটো এৰিয়া সেইটো চৰ এলেকাত পৰে তাত যোগাযোগৰ কোনো ব্যৱস্থা নাই, কেৱল মাত্ৰ এলাইনমেণ্টৰ মাজেদি যাব লাগে, গতিকে সেই বান্ধটো 'বান্ধ কাম ৰোড' কৰি দিলে সুবিধা হব। আৰু বাইজৰ অহাযোৱাৰ কাৰণে সুবিধা হব। এইখিনিকে আশা কৰি কৰ্ত্তন প্ৰস্তাৱটো বিৰোধিতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri Subhankar Singha :— Mr. Deputy Speaker, Sir. untold are the sufferings of the people of Cachar, particularly those, falling within the range of flood-affected areas. The Members from Cachar have been urging upon the Gov-

ernment to protect the district from recurrence of flood. Sir, 90./. of the agriculturists of Cachar are very much oppressed and flood aggravates this economy. But it is surprising to find that no fund has been allotted for protective measures to be taken up in the district of Cachar during this year, that is to say, during the period ending 31st March, 1975. This has aggravated the economy of Cachar. Sir, I would like to confine myself to the problems of Cachar only. Sir, it is very interesting and amazing to see that the schemes which are supposed to be executed, for which tenders were called and works order issued and the Contractor started doing the work, was asked to stop the work. In Silchar Sub-division there was a proposal to construct a sluice gate which, if constructed, would have benefitted an area 10 times bigger than the area of Gauhati Municipality. I myself and Shri Nurul Haque Chaudhury on our way back from Jaipur showed it to the Minister, E.&.D. Sir, we are very glad to have a new Minister in this Department and we hope that he will take up a Master Plan for the District of Cachar. Sir, the sufferings of the people of Cachar cannot be described by words and the Government is aware of it. Sir, there are countries like Holand which are situated far below the level of the sea but these are protected from floods. So, why the places like Cachar or Brahmaputra valley which are far above the sea level cannot be protected from flood. I do not understand. Should we say that it is because of the negligence of the officers ?

Sir, this morning hon. Member Shri Dulal Ch.

Barua mentioned about non-utilisation of equipments purchased by Government for utilisation in the flood protective measures. Sir, if it is so, it is a very serious thing and Government should take note of it. Sir, our present E. & D. Minister had been pleased to visit Cachar and we had the opportunity to explain to him the matter in details. Sir, I do not want to say anything more because the time is short. I would only urge upon Government particularly the Minister incharge of E & D to kindly reduce the disparities in the matter of allotment of funds between Brahmaputra valley and Barak valley.

With these few words I oppose the cut motion and support the grants. Hope, the Minister would kindly look into it.

Thank you Sir.

শ্ৰীলক্ষ্যনাথ দলে (মন্ত্ৰী)—: মাননীয় উপাধ্যক্ষ মহোদয়, কেইবাগৰাকী মাননীয় সদস্যই বাননিয়ন্ত্ৰণ বিভাগৰ শিতানত ডাঙি ধৰা দাবী মঞ্জুৰী প্ৰস্তাৱৰ সন্দৰ্ভত এই বিভাগৰ বিভিন্ন দিশত ৰেখাপাত কৰি ভাষণ দিছে। এই আলোচনা বিলাক মই মন দি শুনিছো। তেখেতসকলে যিবিলাক পৰামৰ্শ আগবঢ়াইছে সেইবিলাকত এই বিভাগৰ অপব্যয় আৰু অপচয়ৰ কথাই বেছিকৈ আলোচনা কৰিছে। গতিকে এই সকলোবিলাক কথাৰ সত্যাসত্যতা নিশ্চয় চাব লাগিব। এই বান নিয়ন্ত্ৰণ বিভাগটো সৃষ্টি হোৱাৰ পৰাই একো কাম নকৰা ভাব এটা ফুটাই তুলিবলৈ চেষ্টা কৰা যেন লাগিছে। সেই কাৰণেই উপাধ্যক্ষ মহোদয়, এই বিভাগটোৱে অপব্যয় আৰু অপচয়েই কৰিছেনে নাই জনসাধাৰণৰ উপকাৰৰ কাৰণেও এই বিভাগে কাম কৰিছে সেই কথাটো মই স্পষ্টভাৱে কব লাগিব।

মহোদয়, এই বিভাগটো কেতিয়া আৰম্ভ হৈছিল আৰু ইয়াৰ নিৰ্মানকাৰ্য্য কেতিয়াৰ পৰা আৰম্ভ হৈছিল সেই বিষয়ে অনুসন্ধান কাৰলে

দেখা যায় যে, আদিতে অৰ্থাৎ প্ৰাক-স্বাধীনতাৰ কালছোৱাত আমাৰ ইয়াত বান নিয়ন্ত্ৰণ বা মথাউৰি নিৰ্ম্মান বিভাগ বুলি কোনো বিভাগ নাছিল। কেইখনমান নৈৰ পাৰে পাৰে মথাউৰি ২।১ টা নিৰ্ম্মান হৈছিল আৰু এইটোও কৃষি বিভাগৰ জৰিয়তেহে হৈছিল। আমাৰ মাননীয় সদস্য কোষেশ্বৰ বৰা ডাঙৰীয়াই বানপানী কেতিয়াৰ পৰা আৰম্ভ হল সেই সম্পৰ্কে দাঙি ধৰিছে যে, ১৯৫০ চনৰ ভুমিকম্পৰ পিচৰ পৰা অসমৰ টপগ্ৰাফি যেনে ধৰণে পৰিবৰ্ত্তন হ'ল তাৰ ফলতেই অসম ৰাজ্যত বানপানী বেছিকৈ হৈছে। আৰু এই বান-পানীয়ে এটা নতুন সমস্যা হিচাবে দেখা দিছে। এই সমস্যা সমাধানৰ কাৰণে ১৯৫৪ চনতেই গড়কাপ্তানি বিভাগৰ শাখা হিচাবে মথাউৰি নিৰ্ম্মাণ বিভাগ এটা আৰম্ভ কৰা হয়। ১৯৬৭ চনত কাম বেছি হোৱাৰ কাৰণে স্বকীয়া বিভাগ হিচাবে কাম আৰম্ভ কৰিবলৈ হাতত লোৱা হয়। আৰু এতিয়ালৈকে ই স্বকীয়া বিভাগ হিচাবে কাম কৰি আছে। কেন্দ্ৰীয় চৰকাৰৰ অধীনত ইয়াত টকা পইচা বা পুজি যোগান দিয়াৰ ব্যৱস্থা কাৰিকৰী পৰামৰ্শ আদি আৰু কৰ্ত্তৃত্ব ৰাখি এই বিভাগে এতিয়ালৈকে স্বকীয়াভাৱে কাম চলাই আছে। প্ৰাক স্বাধীনতাৰ কালচোৱাত বা তাৰ আগতে যিবিলাক মথাউৰি আছিল সেইবিলাক বাদ দি এই বিভাগে স্বকীয়ভাৱে কাম কৰিছে। এতিয়ালৈকে ৩৪১৮ মাইল মথাউৰি নিৰ্ম্মাণ হৈছে। ইয়াৰে ৮২৯ কিঃ মিঃ ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে আৰু বাকীখিনি ব্ৰহ্মপুত্ৰৰ বিভিন্ন উপনদী বিলাকত মথাউৰি নিৰ্ম্মাণ কৰা হৈছে। আৰু এইখিনি কাম কৰিবলৈ যোৱা ৪টা পৰিকল্পনাত প্ৰায় ৪৮ কোটি টকা খৰচ হৈছে। আৰু নিৰ্ম্মিত মথাউৰি ৰক্ষণাবেক্ষণৰ কাৰণে সম পৰিমাণৰ টকা খৰছ হৈছে। মোটামোটিভাৱে প্ৰায় ৯০ কোটি টকা যোৱা ২০ টা বছৰত এই বিভাগৰ যোগেদি খৰচ কৰা হৈছে। এই টকা খৰচ কৰি ৩৪১৮ মাইল মথাউৰি নিৰ্ম্মান কৰা হয়। এই কথাটো আমি পাহৰি যাব নালাগে। কাজেই মই এইটো কথা কব বিচাৰো যে, এই বিভাগটোৱে অকল অপব্যয় কৰা নাই, ৰাইজৰ উপকাৰৰ কাৰনেও কাম কৰিছে। যাৰ ফল ৪টা অংকত কব পাৰি ৩৪১৮ কিঃ মিঃ। এই বিভাগত অপচয় হোৱা কথাটো দৃষ্টিগোচৰলৈ অনাৰ বাবে মাননীয় সদস্য সকলক মই ধন্যবাদ জনাইছো। কিন্তু এই বিভাগৰ যিবিলাকক কৰ্ম্মচাৰীয়ে যথেষ্ট কষ্ট কৰি ৰাবিষা কালত ৰাতিও কাম কৰি মথাউৰিৰ কাম কৰিছে

সেই কথাও মই উল্লেখ কৰিলে অন্ততঃ বিষয়াসকল ও কৰ্ম্মচাৰীসকল উৎসাহিত হ'ব।

( ভইচ: মাজে মাজে মাছো মাৰে )

উপাধ্যক্ষ মহোদয়, যিবিলাক মথাউৰি নিৰ্ম্মান হল সেইবিলাক যে ঠিক বিজ্ঞানসম্মত হোৱা নাই সেইটো অস্বীকাৰ নকৰো। এই মথাউৰিবিলাক এই কাৰণেই বান্ধিব লগা হল যে, ১৯৫০ চনৰ ভুমিকম্পৰ পাচত অসমৰ ভৌগোলিক পৰিস্থিতিৰ এটা ডাঙৰ পৰিবৰ্ত্তন হোৱাৰ কাৰণে অসমৰ ইমূৰৰ পৰা সিমুৰলৈ ১০১ খন উপনদীত বানপানীৰ সৃষ্টি হল। গতিকে উপাধ্যক্ষ মহোদয়, সেই সময়ত বিজ্ঞান সম্মত মথাউৰি বান্ধিবৰ কাৰণে কোনো ধৰণৰ অংক কৰিবলৈ সময় হোৱা নাছিল। সেই সময়ত ৰাইজৰ মাজত এনে পৰিস্থিতি হৈছিল যে, যিকোনো উপায়ে মথাউৰি বান্ধি ৰাইজক ৰক্ষা কৰাটোৱেই প্ৰধান কাম হৈ পৰিছিল। গতিকে যতেই বানপানী হৈছিল তাতেই মথাউৰি বন্ধা কাম কৰা হৈছিল। মাননীয় সদস্য শ্ৰীমতী ৰেনুকা দেৱী বৰকটকীয়ে যিটো আমেৰিকাৰ টেনেচি ভেলিৰ কথা কৈছে সেইটোৰ লগত আমাৰ ব্ৰহ্মপুত্ৰৰ তুলনা নহয়। তেনে কৰিলে পৰুৱা আৰু হাতীৰ লগত তুলনা কৰাৰ নিচিনা কথাহে হব। সেই টেনেচি ভেলিৰ বিশেষজ্ঞই ব্ৰহ্মপুত্ৰৰ বানপানীৰ সময়ত ব্ৰহ্মপুত্ৰৰ পাৰত থিয় হৈ মূৰ ঘূৰাই গুচি গল। ব্ৰহ্মপুত্ৰৰ নিচিনা ১০১ খন উপনদী থকা নদী পৃথিৱীৰ কোন ঠাইত আছে? এনেকুৱা প্ৰবল সোতৰ নদী পৃথিৱীৰ ক'ত আছে? গতিকে আমেৰিকাৰ টেনেচি ভেলিৰ নিচিনা কাম অসম চৰকাৰ বা ভাৰত চৰকাৰে কৰিব নোৱাৰে। অৱশ্যে ইয়াৰ বাবে যে গঞ্জনা শুনিব লাগে তাৰ কোনো কাৰণ নাই। এনে অৱস্থাৰ পৰিপেক্ষিত, আজি ইমানদিনে ব্ৰহ্মপুত্ৰৰ বানপানী কিয় নিয়ন্ত্ৰণ হোৱা নাই সেই কথাত অসম চৰকাৰক দোষ দিলে বা দুৰ্ব্বল বুলি কলে সেই কথা আমি স্বীকাৰ কৰি লব নোৱাৰো।

উপাধ্যক্ষ মহোদয়, সচাঁ কথা নদী নিয়ন্ত্ৰণ কৰিলে বিজুলী শক্তিও উৎপাদন কৰা হব। এই কথাত মই মাননীয় সদস্যসকলৰ লগত একমত। এতিয়া অসমৰ বানপানীয়ে যি মূৰ্তি ধাৰণ কৰিছে ভাৰতৰ আন আন ৰাজ্যত এই অৱস্থা হোৱা নাই। গতিকে অসমৰ বানপানীৰ সমস্যা সমাধান কৰিবলৈ

যি চিন্তা কৰা হৈছে সেই আৰু চেষ্টা সফল কৰিবলৈ হলে সকলো সদস্যৰে বৰঙণি লাগিব। আৰু যাতে এই পৰিকল্পনা বিলাক কাৰ্য্যকৰী হয় তাৰ কাৰণে চেষ্টা কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, আন বিশেষ বিশেষ কথালৈ মই নাযাওঁ, মাত্র এটা কথা মই কব খুজিছো সেইটো হৈছে এই যে একাসে আমাৰ মাননীয় সদস্যসকলে কৈছে যে বান নিয়ন্ত্রণ বিভাগে বৰ বেয়া কাম কৰি আছে আনফালে মথাউৰি লাগে, শ্লুইচ গেট লাগে বুলি দাবী কৰিছে। এইটোৰ পৰা প্ৰমাণ হয় যে ইয়াত কিছুমান ত্ৰুটী বিচ্যুতি আছে আৰু তাৰ বাবে তেখেতসকলে সমালোচনা কৰিছে যিখিনি কৰা হৈছে সেই খিনিৰ স্বীকৃতি তেখেতসকলে দিব লাগে। অমুক লাগে, তমুক লাগে বুলি অকল এজনৰ পৰাই দাবী অহা নাই, হাজাৰ হাজাৰ দৰ্খাস্ত এই সংক্রান্তত আহি আছে আৰু সেই অনুযায়ী কৰিবলৈ আমাৰ ইচ্ছা থকা স্বত্বেও পুঁজিৰ অসুবিধাৰ কাৰণে কৰিব পৰা নাই। যত লাগে বুলি দাবী কৰিছে তাত সঁচাকৈয়ে লাগে। কিন্তু সেই দাবীমতে দিব নোৱাৰাত আমি দুঃখিত। দিব পৰা নাই এই কাৰণেই যে দিবৰ কাৰণে যিমানখিনি টকাৰ দৰকাৰ সিমানখিনি আমাৰ নাই।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী :—পাৰ্লিয়ামেণ্ট বিল্ডিং কেতিয়া আহিব সেই কথা কওক।

শ্ৰীলক্ষ্য নাথ দলে :—সেই কথা পিচত কম। তেখেতৰ সমষ্টিটো বানপানীৰ প্লাৱিত অঞ্চল বুলি মই কৈছো। তেখেতৰ সমষ্টিৰ ৰাইজক বুজাবৰ কাৰণে আৰু ৰাইজক সন্তুষ্ট কৰিবৰ কাৰণে ৬০ লাখ টকাৰ বেছি খৰচ কৰা হল। আদাবাৰীৰ পৰা মোকালমোৱালৈ বন্ধা হল, তেখেতে হাজোৰ কথা কৈছিল, সদনৰ বাহিৰত কোৱা কথা এৰাৰ তেখেতে আনিসে—'গাঁলিয়ামতদো, প্ৰেম মুহব্বত সে কাম লো' কামটো হব বুলি মই কৈছো।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী :—চিমনা অঞ্চলটো মাননীয় মন্ত্ৰী হৰেণ তালুকদাৰৰ সমষ্টিত পৰে। তাত ব্ৰহ্মপুত্ৰৰ দায়েট ব্ৰীজ কৰিবলৈ লোৱা হৈছে। মন্ত্ৰী মহোদয়ে কৈছে মই কোৱা কথাটো মিছা।

শ্ৰীলক্ষ্য নাথ দলেঃ—লাওখোৱা অঞ্চলৰ মথাউৰি ভঙা (বাক্যটো অসম্পূৰ্ণ হওঁতেই)

Shrimati Renuka Devi Borkotaki :—Without knowing the geographical position of my constituency how can he say ?

শ্ৰীলক্ষ্য নাথ দলে ঃ—মই কব খুজিছো তাৰ বেছি অংশ প্লাৱিত হব পাৰে।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী :—মোৰ সমষ্টিৰ কোনখিনি অঞ্চল ব্ৰহ্মপুত্ৰৰ কবলত পৰিছে তেখেত মন্ত্ৰী মহোদয়ে জানে নে ?

শ্ৰীলক্ষ্য নাথ দলে ঃ—আদাবাৰীৰ পৰা মোকালমুৱালৈকে বুলি মই জানো। আটচা, উপাধ্যক্ষ মহোদয়,

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ঃ—আটচা উপাধ্যক্ষ মহোদয়, বুলি কব পাৰিবনে কি ?

( কোনো উত্তৰ নাই )

শ্ৰীলক্ষ্য নাথ দলে :—উপাধ্যক্ষ মহোদয়, এই পৰিপ্ৰেক্ষিতত আৰু এই পৰিস্থিতিৰ মাজত বান নিয়ন্ত্ৰণ বিভাগে কাম কৰি আছে আৰু বহুখিনি কৃতকাৰ্য্যতাও হৈছে। বহু ত্ৰুটী-বিচ্যুতি হৈছে আৰু যিবিভাগত বহু কোটি টকাৰ কাম হয় সেইবিভাগত কিছু অপচয়ৰ সম্ভাৱনা নাই বুলি কলেও অত্যুক্তি কৰা হব। সেই হেতুকে যদি তেনে ধৰণৰ কিবা অভিযোগ থাকে তেন্তে তদন্ত কৰাৰ বাহিৰেও যদি কোনো বিষয়াক দোষী বুলি প্ৰমাণিত কৰা হয় তেন্তে শাস্তি বিধান কৰা হব।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :—মই মন্ত্ৰী মহোদয়ক এটা বিশেষ কথা দৃষ্টি গোচৰ কৰি স্পষ্টীকৰণ বিচাৰিছো এই যে যোৱা পাঁচ বছৰৰ ভিতৰত এই বিভাগত ১০৯ টা ডিটেক্টিভ কেচত ২৩ কোটি ৭৩ লাখ টকা যে খৰচ হল এইটো তেনেই সাধাৰণ কথা নহয়। ইমান টকা যদি খৰচ কৰি বছৰৰ শেষত মাহেকতে ভাল কাম কৰি দেখুৱাই ( অৱশ্যে মন্ত্ৰী মহোদয় নতুন মানুহ গাদীলৈ অহা বেছি দিন হোৱা নাই ) তেন্তে এইবোৰ কথাৰ বাবে মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা লৈছে নে ?

শ্ৰীলক্ষ্য নাথ দলে :—উপাধ্যক্ষ মহোদয়, মাননীয় সদস্যই যি ১০৯ টা কেচৰ

কথা উল্লেখ কৰিছে সেই ১০৯ টা কেচ কোনে ডিটেক্ট কৰিলে আৰু কেতিয়াৰ পৰা প্ৰমাণিত হৈছে সেই কথা সুধিছে, সেইকথা চাব লাগিব ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :—যোৱা পাঁচ বছৰৰ ভিতৰত ইমানখিনি টকা অপচয় হৈছে আৰু ইমানবিলাক কেচ ডিটেক্ট হোৱাৰ পিচত কোনো ব্যৱস্থা লোৱা হোৱা নাই বৰং সেইবিলাক বিয়াৰ প্ৰমোচনহে হৈছে, এই সম্পৰ্কীয় এ, জি, ৰিপৰ্ট মন্ত্ৰী মহোদয়ে পাইছে নে ?

শ্ৰীলক্ষ্য নাথ দলে :—এ, জি, ৰিপৰ্ট আমি অধ্যয়ন কৰি চাব লাগিব । ব্ৰহ্মপুত্ৰৰ বান নিয়ন্ত্ৰণ আচনি ফলৱতী কৰাটো অসমৰ আৰ্থিক অৱস্থাৰ একেবাৰে বাহিৰত । অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰ চাপি বান নিয়ন্ত্ৰণ ব্যৱস্থা কেন্দ্ৰীয় চৰকাৰে লব লাগে বুলি দাবী কৰা হৈছে আৰু সেইমতে এই আচনি সম্পূৰ্ণৰূপে কেন্দ্ৰীয় চৰকাৰৰ হাতলৈ নিবলৈ সন্মত হৈছে । তাৰ ফলত ব্ৰহ্মপুত্ৰ বিভাৰ বৰ্ড গঠণ কৰাৰ প্ৰস্তাৱ চলি আছে । এইখিনি কি কি কাম হব আৰু কেনেকৈ কৰিব এই সকলো কথা অসম চৰকাৰৰ লগত আলোচনা কৰি আছে আৰু চালত লোকসভাৰ কালছোৱাৰ মাজতে আলোচনা কৰিবৰ কাৰণে অসম চৰকাৰে জোৰ দি আছে ।

মাননীয় সদস্য সকলে যি বিশেষ বিষয় কিছুমানৰ কথা কৈছে, যিবিলাক মথাউৰি আধা হৈ থকা উল্লেখ কৰিছে সেই সম্পৰ্কে আমাৰ মাননীয় সদস্য ৰাম শৰ্মা ডাঙৰীয়াই কৈছে লোহিত মুখৰ পৰা গমিৰি পাৰলৈ এক অংশ বাকী হৈ আছে আৰু পিটচিং কোৱৰ ডাঙৰীয়াই ধিংৰ ২৬ কিলো মিটাৰ মথাউৰি বাকী হৈ আছে বুলি কৈছে । এই সকলো বিলাক কৰিবলৈ পুজিৰ দৰ্কাৰ আৰু পুজি পোৱা নাই হেতুকে পুজিৰ বাবে চেষ্টা কৰি আছো। পাম বুলি আশা কৰিছো, পালে কৰি দিব পাৰিম বুলি আশা কৰিছো । উপাধ্যক্ষ, মহোদয় বাকী যিবিলাক আছে, অৰ্থাৎ অসুবিধাৰ কথা কৈছে সেইবিলাক নিশ্চয় চাম । আৰু বৰুৱা ডাঙৰীয়াই যি ১০৯ টা কেচৰ উল্লেখ কৰিছে, সেই বিলাক যদি প্ৰমান সহ বিচাৰ কৰা হৈছে তেনে হলে অফিচাৰ সকলৰ নিশ্চয় একচন লোৱা হব ।

মাটি অধিগ্ৰহণৰ ক্ষেত্ৰত, ২ কোটি টকা ক্ষতিপূৰণ দিব লগা আছে

অহা বছৰ অন্ততঃ আধা খিনি আদায় কৰি দিব পাৰিম বুলি আশা ৰাখিছো। দেখি হৈছে বুলি স্বীকাৰ কৰিছো। আৰ্থিক অসুবিধাৰ কাৰণে আৰু কাগজ পত্ৰ হিচাব পত্ৰ আদিৰ কাৰণে দিব পৰা নাছিলো। অহা বছৰৰ ভিতৰত আধা খিনি দিব পাৰিম বুলি আশা ৰাখিছো।

শ্ৰীকবীৰ ৰায় প্ৰধানী ঃ— উপাধ্যক্ষ মহোদয়, এটা স্পষ্টিকৰণ বিছাৰিছো, গোলকগঞ্জ পথত কাম কৰা ১০—১২ জন মানুহে এজন বিষয়াৰ ভুলৰ বাবে আজি এবছৰ ধৰি টকা পোৱা নাই এই বিষয়ে মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা লব নে ?

শ্ৰীলক্ষ্যা নাথ দলে (মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, সেইটো চাব লাগিব। নোচোৱাকৈ মই কোনো আশ্বাস দিব নোৱাৰিম। কি কাম কৰিছিল সেইটো মই চাব লাগিব। তেখেতে লিখিত ভাবে এখন জনালে ভাল হয়।

শ্ৰীমতী ৰেণুকা দেবী বৰকটকী :— মহোদয়, ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰন সম্পৰ্ক বিলখনৰ বাবে দুটা কথা কৈছে, এটা হৈছে এই বিলখন ৰাজ্যিক পৰ্য্যায়ত অনাৰ ব্যৱস্থা কৰা হৈছে আৰু আনটো হৈছে এই সম্পৰ্কে অসম চৰকাৰৰ মতামত বিছাৰি পঠিয়াইছে। অসম চৰকাৰে বিলৰ ওপৰত মতা মত দিলে নেকি ? এতিয়া বিলখন লোক সভাত পৰি আছে নে, অসম চৰকাৰৰ হাতত পৰি আছে ?

ড°কোষেশ্বৰ বৰা :— ড্ৰেজাৰৰ কাম প্ৰকৃততে কিমান আগ বাঢ়িছে মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে ?

শ্ৰীলক্ষ্যা নাথ দলে (মন্ত্ৰী) ঃ—এই বিল খনৰ কিছুমান প্ৰচিডিউৰ লৈ অসম চৰকাৰে মতা মত দি, কেন্দ্ৰিয় চৰকাৰৰ হাতত দিয়া হৈছে। আৰু এই সন্দৰ্ভত মূখ্য মন্ত্ৰী ডাঙৰীয়াই যেতিয়া দিল্লীলৈ যাব তেতিয়া সবিশেষ আলোচনা কৰিব। এতিয়া আমাৰ হাতত পৰি থকা নাই। মতা মত দিয়া হৈছে আৰু অসম চৰকাৰ আৰু কেন্দ্ৰিয় চৰকাৰৰ মাজত আলোচনা কৰি যিবিলাক মতানৈক্য হৈছে সেইবিলাক একমত কৰিবৰ বাবে আলোচনা কৰা হব।

ড্ৰেজাৰৰ ক্ষেত্ৰত মই কওঁ, এই ড্ৰেজাৰ খন এক কিলোমিটাৰ

যাবলৈ একমাহ সময় লাগে। জানুৱাৰী মাহৰ এক তাৰিখে আৰম্ভ কৰি এই মাৰ্চ মাহলৈকে আঢ়ৈ কিলোমিটাৰহে ড্ৰেজিং হৈছে। মাননীয় সদস্য সকলে ড্ৰেজাৰ কেইখন চাই আহিব পাৰে। এতিয়া দুইখন ড্ৰেজাৰৰে কাম চলোৱাৰ ব্যবস্থা কৰা হৈছে। প্ৰথমতে এখন ড্ৰেজাৰ বেয়া হৈ আছিল আৰু বেয়া হোৱা পাৰ্টচ বিলাক আমাৰ ভাৰতবৰ্ষতেই নাপায় আৰু বাহিৰৰ পৰা আনিব লগা হৈছে। কিন্তু এতিয়া সেইখন ভাল হৈছে আৰু কাম চলাই থকা হৈছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :— ব্ৰহ্মপুত্ৰৰ জয় লাইট কেতিয়া হব ?

শ্ৰীলক্ষ্যধৰ দলে (মন্ত্ৰী) :— দিন ধাৰ্য কৰা নাই কৰিব লাগিব। মাননীয় সদস্য সকলে যিবিলাক পৰামৰ্শ দিছে আৰু তেওঁলোকে কোৱাৰ দৰে মই নতুন মন্ত্ৰী হিচাবে তেওঁলোকৰ অৰ্থাত সকলোৰে পৰামৰ্শ মই পাম বুলি আশা ৰাখিছো।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ— বৰিষ্টৰ চিমেণ্ট চুৰিৰ কেচটোৰ কথা কি হল ?

শ্ৰীলক্ষ্য ধৰ দলে (মন্ত্ৰী) :—সেইটো কথা চাব লাগিব।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ— চিমেণ্ট চুৰি কেচটোত যিকেইজন মানুহে খবৰ দিছিল সেই সকলৰ কোনো ব্যবস্থা লোৱা হোৱা নাই। কিন্তু চিমেণ্ট খিনি অফিচাৰৰ ঘৰলৈ গল আৰু পুলিছে কেচটো মিছা বুলি কলে। কিন্তু যি কেইজন মানুহে এই খবৰটো দিছিল তেওঁলোকৰ কিয় ব্যবস্থা লোৱা নাই ?

শ্ৰীলক্ষ্য ধৰ দলে (মন্ত্ৰী)ঃ— এই কথাটো প্ৰথম শুনিলো মাত্ৰ, গতিকে এই বিষয়ে মই সকলোখিনি চাই সিদ্ধান্ত লব লাগিব।

Shri Subhankar Singh :—Sir, the Minister has not complied with any requests from our side from Cachar. May I know from the Minister as to whether the Silchar Branch of the Brahmaputra Flood Control office will be shifted from Gauhati to Silchar ?

শ্ৰীলক্ষ্য ধৰ দলে :— বৰাক নদীৰ ব্যবস্থাটো গুৱাহাটীৰ পৰা চিলচৰলৈ উঠাই নিয়াৰ কথা ভবা নাই আৰু তেনে কোনো অবস্থাও হোৱা নাই। ইয়াৰ কোনো প্ৰশ্নও উঠা নাই।

Mr. Deputy Speaker :— Now I put the cut motion relating to grant No 85 and 106.

(Cut Motion is lost in voice vote)

Mr. Deputy Speaker:—Now I put the grant No. 85. 93 and 106.

( The House divided )

Result of the division :— Ayes :— 43

Noes :—12

Grant No. 85, 93 and 106 are passed.

Now grant No. 26. Mr. Umaruddin ?

Shri Umaruddin, Minister :— Mr. Speaker, Sir, I beg to move grant No. 26, 51 and 68.

শ্ৰীসোনেশ্বৰ বৰা :—মাননীয় উপাধ্যক্ষ মহোদয়, বাজেটৰ দাবীৰ ১১৫৬-১১৬৩ পৃষ্ঠাত '৫৩৩ জলসিঞ্চন নৌ-পৰিবহন, বান নিয়ন্ত্ৰণ ও খাল প্ৰকল্পৰ বাবে মূলধনী ব্যয় বান নিয়ন্ত্ৰণ আৰু সাগৰৰ গড়াখহনীয়া প্ৰতিৰোধ প্ৰকল্প' শিতানৰ ১০৬ নম্বৰ মঞ্জুৰীৰ বাবে কৰা দাবীৰ ৩,১৫,০০,০০০ টকা এটকাৰে হ্ৰাস কৰা হওক অৰ্থাৎ সমুদায় ৩,১৫,০০,০০০ টকা এটকাৰে হ্ৰাস কৰা হওক।

উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে বৰ্ত্তমান অনা এই টকাৰ ওপৰত কৰ্ত্তণ প্ৰস্তাৱ এই কাৰণেই আনিব বিচাৰিছো যে বাও কণিত উমনি দি ঘোল্লা উত্তৰ পোৱাতকৈ নিদিয়াই ভাল।

উপাধ্যক্ষ মহোদয়, ক্ষুদ্ৰ জলসিঞ্চন যে কৃষিৰ অপৰিহাৰ্য্য ইয়াক কোনেও মুই কৰিব নোৱাৰে। যি কোনো খেতিয়কে যি কোনো খেতিৰ পথাৰত কেৱল আজিৰ দিনত প্ৰকৃতিৰ ওপৰত ভৰষা কৰাৰ ওপৰিও কৃত্ৰিম ভাৱে আচনি লৈ সেই আচনিৰ যোগেদি আমি পানীৰ যোগান বিচাৰো। কিন্তু পানীৰ যোগান দিবলৈ যিমান প্ৰচেষ্টা আমি দাবী কৰো মন্ত্ৰী মহোদয়ে এই বিধান সভাৰ মজিয়াত বাৰে বাৰে প্ৰশ্ন আদিৰ উত্তৰত যেতিয়া তেখেতে আচনিৰ কথাটো বিবেচনা কৰি আছে বুলি কয় কিন্তু কাৰ্য্যতঃ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ জলসিঞ্চন ব্যৱস্থা আমাৰ চকুত নপৰে। অকল আমাৰ চকুতেই নহয় মন্ত্ৰী মহোদয়ৰো চকুত নপৰে। কিন্তু কাগজে কলমে তেখেতৰ সঁচৰা লয়ৰ পৰা উত্তৰ পাই বিধান সভাত কেতিয়াবা কেতিয়াবা কয় অসমৰ পথাৰত এই জলসিঞ্চন ব্যৱস্থা কৰা হৈছে। অসমখন এখন নদী মাতৃকা দেশ ইয়াক বহলাই আলোচনা কৰাৰ আৱশ্যক নাই। এই অসমখনৰ নৈ উপনৈ, জান

জুৰি আদিয়ে আমাৰ চৰকাৰক যি সুবিধা দিয়ে সেই প্ৰকৃতিয়ে দিয়া সুবিধা আমাৰ চৰকাৰে স্বাধীনতাৰ আজি ২৭ বছৰৰ পিচতো আচনিৰ মাধ্যমেৰে খেতিয়কক সহায় কৰিব নোৱাৰা আৰু অসমৰ খেতিয়কৰ উৎপাদন ব্যৱস্থা কৰিব নোৱাৰাটো অতি পৰিতাপৰ বিষয়। এইটো দেখা যায় যে অসম মন্ত্ৰী সভাত বিভিন্ন সময়ত থকা কৃষি মন্ত্ৰীসকলে জলসিঞ্চন কি কৃষি কি, কৃষিৰ কাৰণে কি কি বস্তু লাগে আৰু কৃষি কেনেকৈ হব সেইবিলাক কথা মূলতে নাজানে। ইয়াৰ মূলতে নজনাৰ কাৰণে সচিবালয়ৰ ফাইলৰ পৰা যেতিয়া কাগজত অংক কৰি বিধান সভাত কেনেকৈ পৰিপূৰক প্ৰশ্নৰ উত্তৰ দিব লাগে কেনেকৈ কৰ্ত্তণ প্ৰস্তাৱৰ উত্তৰ দিব লাগে, কেনেকৈ বিৰোধী দলক ঠাণ্ডা কৰিব পাৰি ইত্যাদি কথাবিলাৰ জানি আহি বিধান সভাত উত্তৰ দিয়ে আৰু সৰহ সংখ্যক ভোটত বাজেট পাচ হৈ যায়, সেইটোকে তেখেতসকলে উন্নয়ন বা সিদ্ধান্ত হিচাবে গ্ৰহণ কৰে। আচলতে কামৰ বেজিকা একোৱেই নাই। অসমৰ শদিয়াৰ পৰা ধুবুৰী লৈকে ১০ খন জিলাত ৰবিশস্যৰ কাৰণে পানীৰ যোগান দিয়া হৈছে বুলি কৈছে আচলতে সেইটো এটা ফটুৰা ধৰণৰ কথা। এই ফটুৰা কথাৰে আমাৰ কোনো ৰবিশস্য হব নোৱাৰে। আতৰৰ পৰা চালে এই বিলাকত জুই জ্বলিছে। যেনেকৈ শদাশিৱই খেতি কৰি থৈ আহোতে পাৰ্বতীয়ে চাবলৈ যোৱাত খেতিত জুই জ্বলি গল সেইদৰে আমাৰ মঃ উমৰুদ্দিনে কৰাৰ খেতিতো জুই জ্বলিছে। বাও কনিও উমনি দিছে। যিহেতু বিয নাই তাত উমনি দিলেও তাৰ পৰা পোৱালী নহয়। ঠিক সেইদৰে মন্ত্ৰীয়ে কাগজ কলম হাতত লৈ বক্তৃতাৰে ৰৰষুণ দি অসমত খেতিৰে উপচাই পেলাব খুজিছে। তাৰ কাৰণে তিনি হাজাৰ টকীয়া উপদেষ্টা দিল্লীৰ পৰা অনাইছে। তেখেতে ভাৱিছে যে এইদৰে বক্তৃতাৰে ৰৰষুণ দি, দিল্লীৰ পৰা উপদেষ্টা আনি অসমক খেতিৰে উপচাই দিম, অসমৰ ধান চাউল অসমত খাই শেষ কৰিব নোৱাৰিব, তাৰ পিচত বাহিৰলৈ পঠাব তাৰ পৰা আন্তৰ্জাতিক মুদ্ৰা অৰ্জন কৰিব, এই বিলাকত ঘোলা কণীবহে উত্তৰ পাব। তাতকৈ বেঁচি আৰু একো নাপায়।

উপাধ্যক্ষ মহোদয়, জলসিঞ্চনৰ কাৰণে অসমত যিমানখিনি সুবিধা আছে ভাৰতবৰ্ষৰ অন্য ৰাজ্যত নাই। এই কথাত আপুনিও মোৰ লগত এক মত হব। আমাৰ ইয়াত যিবিলাক সৰু সৰু নৈ আছে এইবিলাক নিয়ন্ত্ৰণ কৰি আৰু জলসিঞ্চনত পৰিণত কৰি অসমীয়া কবি সাহিত্যিকে কোৱাৰ দৰে শষ্য শ্যামলা নদন বদন সোণৰ অসম কৰি গঢ়ি তুলিব পাৰি। কিন্তু আমাৰ চৰকাৰে যতেষ্ট হাত দিয়ে তাতেই জুই লাগে। কাৰণ তেখেতসকলৰ এই ক্ষেত্ৰত একনো জ্ঞান নাই। তাৰ কাৰণেই কাম কৰিব পৰা নাই। নগা

পাহাৰ, খাচিয়া পাহাৰ, মিকিৰ পাহাৰ, অৰুনাচলৰ পৰা যিবিলাক সৰু সৰু নদী ওলাইছে এইবিলাকৰ উৎপত্তি স্থলতে নিয়ন্ত্ৰণ কৰিব পৰা যায়। এই বিলাক নিয়ন্ত্ৰণ কৰিব পাৰিলে গৰাখহনীয়া আৰু বানপানী নিয়ন্ত্ৰণ কৰিব পৰা হব। আৰু তাৰ পানীৰেই বাৰিষা খৰালি যি কোনো সময়তে পানী বোৱাই আনি খেতি কৰিব পৰা হব। এই কথা মই আজি ৮ বছৰে এই বিধান সভাত কৈ আহিছো। নগা পাহাৰৰ লগত আমাৰ ৰাজ্য বেলেগে হব পাৰে। নগা পাহাৰৰ কাষত বা দুই পাহাৰৰ মাজত যিবিলাক ডাঙৰ ডাঙৰ হোলা আছে যিবিলাক ঠাইত কাকডুঙা, ঘিলাধাৰী, দিফলুৰ নিচিনা নদীৰ পানী আছে সেইবিলাকত বান্ধ দি খৰালি খেতিলৈ পানী বোৱাই আনিব পাৰি। মন্ত্ৰী মহোদয়ে ভাৱে যে প্ৰয়োজনীয় বিজুলিশক্তি আমাৰ ইয়াত নাই। গতিকে সেইবিলাক জলসিঞ্চিত কেনেকৈ কৰিব পাৰি ? যেতিয়া আমি সৰু সৰু নৈৰ কথা কওঁ তেতিয়া মন্ত্ৰীসকলে বিধান সভাত উত্তৰ দিয়ে যে সেইবিলাক মৰা নৈ ? বছৰত ৮/৯ মাহ পানী থাকে তাৰ পিচত শুকাই যায়। এই কথা একেবাৰে মিছা নহয়। কিন্তু এইটোও ঠিক যে বাৰিষা এইবিলাক নদীৰ পানী বিলাক উৎপত্তি স্থলত জমা কৰি ৰাখি খৰালি এইবিলাক পানী খেতিত যোগান ধৰিব পাৰে। আমি পানী নহলে খেতি কৰিব নোৱাৰো। ব্ৰহ্মপুত্ৰই বালি পেলোৱা মাটিত এতিয়া পানী নহলেও নাঙল লগাব পাৰি। কিন্তু অসমৰ অধিক অঞ্চল এতিয়া ৰদৰ তাপত ফালি আছে সেই বিলাকত নাঙল বা ট্ৰেক্টৰ আদি একো লগাব নোৱাৰি। আমাক জাপানৰ পৰা খেতিয়ক আনি খেতি কৰিবলৈ শিকাব নালাগে। অসমৰ খেতিয়কে বুঢ়া গৰুহাল লৈয়ে খেতি কৰিব পাৰে। মাত্ৰ সৰু সৰু নৈ বিলাকৰ উৎপত্তি স্থলত পানী জমা কৰি ৰাখি সেই বিলাক খেতিৰ পথাৰত যোগান ধৰি খেতি কৰাৰ সুবিধা দিব লাগে। আজি তেলৰ কাৰণে ছাত্ৰসকলে আন্দোলন কৰিছে। আমিও কৰিছো। এই তেল আমাক এৰোপ্লেনত উঠিবলৈ নালাগে। লাগে এই দিজেল তেল ফাৰ্মঙৰ আতৰে আতৰে পানী যোগান দিবৰ কাৰণে। অসমৰ পথাৰত দিজেল মেচিন বহুৱাই পানীৰে উপচাই দিয়ক।

আমাৰ অসমৰ ভেলেৰে নৈৰ পাৰে পাৰে আধামইল, চোৱা মাইল, পোৱা মাইল, দেৰ-মাইল-দুই মাইলৰ মূৰে মূৰে 'ডিজেল চেট' বহুৱাই পানীযোগান ব্যৱস্থা কৰিব পাৰে। তাৰোপৰি, জলসিঞ্চনৰ লগে লগে

বিজুলী শক্তিও উৎপন্ন হব। ব্ৰহ্মপুত্ৰক ভেটিলেই, কপিলীক ভেটিলেই, সোৱৰ্ণশিৰিক ভেটিলেই বিজুলীশক্তি ওলাব। কেন্দ্ৰীয় চৰকাৰে আজি টকা নিদিলে বুলিয়েই যে অসম খনক শুকাই খৰখৰীয়া মাৰিবলৈ দিব তাৰ কিবা মানে আছে নেকি? আমি ৰাইজৰ প্ৰতিনিধি হৈ এই বিধান সভাত কিয় বহি আছোঁ? আমাৰ প্ৰেৰণা নাই নেকি? এইয়া আমাৰ খেতিয়কৰেই চৰকাৰ, বিধান সভাতো আজি বহি আছে খেতিয়ক ৰাইজৰেই প্ৰতিনিধি। আমি যদি অসমৰ নদীৰ পাৰে পাৰে পানীৰ কোঠে কোঠে 'ডিজেল মেচিন' বহুৱাই পানীৰে যদি অসমৰ খেতি পথাৰ ওপচাই দিব পাৰো তেতিয়া হলেও যদি আমাৰ কোনো খেতিয়কে খেতি নকৰাকৈ শুই থাকে তেতিয়াহলে তেওঁলোকৰ ওপৰত আমাৰ চৰকাৰে কঠোৰ শাস্তি লব পাৰিব। পথাৰত যদি পানীয়েই নেথাকে তেতিয়াহলে, ৰাসয়নিক সাৰ কত প্ৰয়োগ কৰিব? পানী নহলে যে, একোৱেই নহয়, সাৰ দিলেও যে মাটি দৰা একেবাৰেই অকামিলা হৈ পৰে আৰু খেতি হলেও যে, জুই ছাই হৈ যায় সেই কথা আজি অসমৰ খেতিয়কে বুজি নোপোৱা নহয়। খেতিৰ কাৰণে পানীয়েই হৈছে আচল বস্তু। পানী হলে দুই তিনিটা খেতি কৰাৰ কথা আমাৰ ৰাইজক কব নেলাগে। তেতিয়া আমাৰ ৰাইজক ধোদ বুলি কব নোৱাৰিব। পানীৰ যোগান নিদিয়াকৈ খেতিয়কক ধোদ আখ্যা দিয়াৰ প্ৰতিষোধ কেতিয়া লয় সেইটোহে বাট চাইছোঁ। এম, এল, এ, মন্ত্ৰী, ডি, চি, এছ, ডি, অ'ৰ বক্তৃতাৰ বৰষুণেৰে খেতি কৰিব নোৱাৰি। অসম ক্ষুদ্ৰ জলাসঞ্চনেই আজি খেতিৰ গৰাকী হৈ আছে। গতিকেই এই ক্ষুদ্ৰ জলসিঞ্চন ব্যৱস্থা ক্ষীপ্ৰতৰ কৰিব লাগিব। আমাৰ মাননীয় শ্ৰীওমৰুদ্দিন চাহাবে এইটো পাৰেনে নোৱাৰে সেইটো মই কব নোৱাৰোঁ। কেইবাটাও চৰকাৰৰ আমোলত কেইবাজনো কৃষিমন্ত্ৰী আহিল আৰু গল। কোনেও এইটো সফল কৰিব নোৱাৰিলে। এতিয়া যে, আমাৰ বৰ্ত্তমানৰ কৃষিমন্ত্ৰীয়ে এইটো কৰিব সেইটো আমি আশা কৰিব পৰা নাই। কিন্তু যি গোৰামীলৈ এই কামত অগ্ৰসৰ হৈছে সেই পৰিপ্ৰেক্ষিতত মই তেখেতক এইটোহে সকিয়াই দিব খুজিছোঁ যে, যদি সচাঁকৈয়ে তেখেতে অসমৰ দেৰ কোটি জনতাক কৃষিৰ উন্নতি সাধন কৰি জীয়াই ৰাখিব খুজিছে তেতিয়াহলে অনতিপলমেই তেখেতে অসমৰ ক্ষুদ্ৰ জলসিঞ্চন আচনিত আত্মনিয়োগ কৰিব লাগিব। চৰকাৰে নানা ধৰণৰ

আচনি কৰিছে, পৰিকল্পনা কৰিছে। কিন্তু ইমানখিনি কৰিও আজি ২৭ বছৰৰ পিছত আমাৰ যি সকল মন্ত্ৰীয়ে অসমৰ নাম কব নোৱাৰে, কোনো সাৰ পানীৰ যোগান দিবপৰা নাই, সেই বিলাক যোগান দিবৰ কাৰণে কোনো আচনি লোৱা নাই সেই ধৰণৰ মন্ত্ৰী সভা এখনৰ পৰা অসমৰ খেতিয়ক সকলে একোৱেই আশা কৰিব নোৱাৰে। অসমৰ ৰাইজে পথোৱা প্ৰতিনিধি হিচাবে এইখিনি কবলৈ মোৰ হক আছে। অসমৰ ক্ষুদ্ৰ জলসিঞ্চনৰ নামত কিছুমান টকা অযথা খৰছ কৰিব, কাৰোবাক প্ৰমোশ্বন দিব, কোনোবা ৰাজনৈতিক নেতাই মন্ত্ৰীৰ ওচৰত আহি অথালি পথালি কৰিব, এই ধৰণৰ কথাত মই একেবাৰেই নাই। অফিচাৰ, ইঞ্জিনীয়াৰ সকলক আতৰাই লৈও যদি আচনি কৰিব লগা হয় তেতিয়াহলে, তাকে কৰিব লাগিব। মই এনেকুৱা কথাও জানো যে, ট্ৰেক্টৰৰ আগত লগোৱা বেজ হুইল টোৰ কথাও নেজানে! নাৰিকলৰ পুলি বিলাককে ডাঙৰ তামুলৰ পুলি বুলি কোৱা কৃষি-বিভাগৰ বিষয়াও মই দেখিছোঁ। এনেকুৱা ধৰণৰ ইন্সপেক্টৰ আৰু ইঞ্জিনিয়াৰেই আমাৰ কৃষিবিভাগত আছে। সাতপুৰুষতো এই বিলাক নজনা মানুহেই আজি কৃষি বিভাগত কাম কৰিব লগীয়া হোৱাৰ কাৰণেই অকল অসমতে নহয় গোটেই ভাৰতবৰ্ষতে আজি এইটো অৱস্থা হৈছে। মন্ত্ৰী সকলে খৰালীও খেতি কৰিবলৈ কৈছে। খেতি যে খৰালিতো কৰিব পাৰি সেইটো আমাৰ ৰাইজেও বুজি পায় যদিহে যথেষ্ট পানী যোগান দিবপৰা যায়। জলসিঞ্চনৰ নামত ওপৰৰ মন্ত্ৰী চেক্ৰেটৰীৰ পৰা আৰম্ভ কৰি তললৈকে আৰু তলৰ পৰা ওপৰলৈকে কাগজে কলমে, ফাইলৰ, আচনিৰ আদান প্ৰদান চলি থাকিলেই আমাৰ খেতিৰ উন্নতি হব নোৱাৰে আৰু খেতি পথাৰত আমি পানী নেপাম। জলসিঞ্চনৰ কাৰণে আমি প্ৰকৃতিৰ অৱদান সৰু সৰু নৈ, জান-জুৰি বিলাকক নিয়ন্ত্ৰণ কৰি ব্যৱস্থা লব লাগিব। সিদিনা মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ে প্ৰশ্নোত্তৰত কৈছিল যে, নদী কাটিবলৈ যিখিনি মাটি লাগে সেইমাটি খিনি দিবলৈ আমাৰ খেতিয়ক সকলক ৰাজি কৰাব নোৱাৰি। এইটো নিতান্তই স্বাভাবিক কথা। আৱশ্যক অনুপাতে মাটি নেথাকিলে সেই মাটি খিনি কাটি মাটি থকা অন্য মানুহৰ মাটিত পানী দিয়াৰ সুবিধা কৰিবলৈ কোনো ৰাজি হব নোৱাৰে। জলসিঞ্চনৰ কাৰণে অধিগ্ৰহণ কৰা মাটিৰ ধনলৈ মানুহ কেতিয়াও মাটি নোহোৱাকৈ জীয়াই থাকিব নোৱাৰে। সেই-কাৰণেই ৰাইজেও এইটো কয় আৰু দাবী কৰি আহিছে যে আৱশ্যকতকৈ

বেছি মাটি থকা সকলৰ বাহিৰে যি সকল খেতিয়কৰ আৱশ্যকীয় মাটি-খিনিহে বা তাতকৈ কম মাটি আছে সেই সকলৰ মাটিৰ ওপৰেদি জল-সিঞ্চন কৰিবৰ কাৰণে যিখিনি মাটি অধিগ্ৰহণ কৰিব লগা হল সেই অধিগ্ৰহণ কৰিব লগা মাটিখিনিৰ বাবে টকাৰ পৰিবৰ্ত্তে সমান পৰিমাণৰ খেতিৰ মাটি দিয়াৰহে ব্যৱস্থা কৰিব লাগে। এইটো মই দৃঢ়তাৰে দাবীকৰো। তেতিয়া-হলে, সেই বিলাক সমস্যা নেথাকিব। এইখিনিয়েই মোৰ কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত উত্থাপন কৰিবলগীয়া বিষয়।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :— মহোদয়, কৰ্ত্তন প্ৰস্তাৱটোৰ সমৰ্থনত মই কেই-আষাৰমান কথা কব খুজিছোঁ। অৱশ্যে এই সদনতে বহুতবাৰ এইবিষয়ে আলোচনা বিলোচনা আদি কৰা হৈছে। মাননীয় বহুত সদস্যই বহুতো কথাই কৈছে। বহুতো আশ্বাসো শাসনত অধিষ্ঠিত দলৰ পৰা পাইছোঁ। কিন্তু কামৰ বেলিকা কি হৈছে সেইটো অধ্যক্ষ মহোদয়ে, আপুনিয়েই ভালকৈ অনুমান কৰিব পাৰিব। অতি আদিৰে পৰাই আমাৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীশৰৎ সিংহ ডাঙৰীয়াই আমাক নানা গান-বাজনা আদি শুনালে। বহুতো কথা বতৰা আমাক কলে। বহুতো ব্যৱস্থাৰ আশ্বাস আমি পালোঁ। কিন্তু সেই বিলাকৰ কোনোটোৱেই কাৰ্য্যত পৰিণত নহল। যি বিলাক প্ৰতিশ্ৰুতি আমাৰ চৰকাৰে দিয়ে, সেইবিলাকো ৰক্ষা কৰিব নোৱাৰে। যি চৰকাৰে জন প্ৰতিনিধিত্ব কৰিবলৈ আহি যদি ঠিকমতে সেই জনপ্ৰতিনিধিত্ব কৰিব নোৱাৰে আৰু সম্পুৰ্ণ ই ব্যৰ্থ হয় সেই চৰকাৰে নৈতিকতাৰ ফালৰ পৰাও একমিনিট সময়ও গাদীত থকাৰ অধিকাৰ নাই। মন্ত্ৰীৰ সংখ্যা, অফিচাৰৰ সংখ্যা বঢ়াই কৃষিৰ উন্নতি কৰাৰ যিটো প্ৰয়াস আমাৰ মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়াই কৰিছে সেইটো কেৱল "কণা হাহঁক পতান দিয়া"ৰ নিছিনা ব্যৱস্থাহে কৰিছে। আজি লক্ষ লক্ষ কৃষক জনতা আমাৰ গাৱেঁ-ভুৱেঁ সিচঁৰিত হৈ আছে। সেই সকলৰ প্ৰতিনিধিত্ব কৰিবৰ কাৰণেই আমি আজি ইয়াত আছোঁহি। কিন্তু দেশে স্বাধীনতা লাভ কৰাৰ সুদীৰ্ঘ এই ২৭ বছৰৰ পিছতো. চাৰিটাকৈ পাচঁবছৰীয়া পৰিকল্পনা পাৰ হৈ যোৱাৰ পিচতো আমি ৰাইজৰ প্ৰতিনিধি হিচাবে ঘোৰ অন্যায় কৰাৰ বাহিৰে ন্যায়সঙ্গত আৰু কিবা কৰিব পাৰিলোনে ? তেওঁলোকৰ অৰ্থ নৈতিক মানদণ্ড উন্নত কৰাৰ কাৰণে যিখিনি বিধি ব্যৱস্থা লব লাগে সেইখিনি কৰাত আমি

সকলো ক্ষেত্ৰতে ব্যৰ্থ হৈছোঁ। যিখন শাসন যন্ত্ৰত জনসাধাৰণৰ প্ৰতি অকণ-মাণো দয়া, মমতা নাই শাসন যন্ত্ৰত অধিষ্ঠিত সেই সকল লোকৰ পৰা আমাৰ জনসাধাৰণে কি আশা কৰিব পাৰে ? যি সকল আজি শাসনত অধিষ্ঠিত হৈছে তাৰে ভিতৰত আমাৰ শ্ৰীওমৰুদ্দিন চাহাবো এজন বিশেষ অভিজ্ঞ লোক। তেখেত বৃটিশৰ দিনত শাসন কৰা এজন প্ৰশাসক আছিল।

শ্ৰীওমৰুদ্দিন চাহাব অভিজ্ঞ লোক, বৃটিচৰ দিনত শাসন কৰা শাসক আছিল। আজি তেখেতে কাৰ্যভাৰ গ্ৰহন কৰিছে কিন্তু তেখেতৰ পৰা বিশেষ কোনো আশা কৰিব পৰা নাই। এই কাৰণে আশা কৰিব পৰা নাই যে তেখেতৰ যি স্বতন্ত্ৰ মনোভাব সেই মনোভাবৰ যোগেদি যিখিনি কাম কৰিব বিচাৰিব বা বিচাৰিছিল বিচৰাৰ কথা কৈছিল, সেই খিনি তেখেতে নিশ্চয় কৰিব নোৱাৰে। শ্ৰীশৰৎ সিংহৰ যেতিয়ালৈকে নেতৃত্ব লৈ থাকে বা লৈ থাকিব অসমৰ জনসাধাৰণৰ মুখত ভাত দিয়াৰ ব্যৱস্থা শ্ৰীশৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়া এশ বছৰ থাকিলেও কৰিব নোৱাৰে। এই কথাটো মই বিধান সভাত ৰেকৰ্ড কৰি থৈছো। শ্ৰীশৰত সিংহৰ মন্ত্ৰী বৰ্গই তেখেতৰ লগত সুৰ মিলাবলৈ গৈ পুবলৈ যাব লাগিলে পশ্চিমলৈ গৈছে আৰু উত্তৰলৈ যাব লাগিলে দক্ষিণলৈ গৈছে তেখেত সকলৰ নিজস্ব থকা দৰকাৰ, ব্যতুপত্তি থকা দৰকাৰ। সেই ব্যতুপত্তি কেতিয়াও প্ৰকাশ কৰিব নোৱাৰে আৰু মানুহক সন্মান কৰিব নাজানে। যি সকলৰ প্ৰতিনিধিত্ব কৰিছে সেই সকলৰ প্ৰতি যি যত্ন লব লাগে সেই যত্ন লব নোৱাৰে।

উপাধ্যক্ষ মহোদয়, জলসিঞ্চনৰ নামত যথেষ্ট পৰিমাণৰ টকা পইচা ধৰা হৈছে আৰু জলসিঞ্চন সম্পৰ্কত বহুবাৰ আলোচনা বিলোচনা হৈছে। কালি মই মেজৰ আৰু মাইনৰ ইৰিগেচন সম্পৰ্কত তথ্যপাতি দাঙি ধৰিছো। অসমত বৰ্তমান খেতি কৰা মাটিক লৈ মাত্ৰ ইৰিগেটেড এৰিয়া হল ১'৮ ভাগ। প্ৰস্তাৱ কৰিছে, আমাৰ শ্ৰীশৰৎ সিংহ ডাঙৰীয়াই ডাঙৰ এখন প্ৰকাণ্ড বহি দি কৈছে যে শতকৰা ১০ ভাগ খেতি কৰা মাটিক অহা পঞ্চম পাচবছৰীয়া পৰিকল্পনাত ইৰিগেটেড এৰিয়ালৈ কভাৰ কৰা হব তাৰ মানে জলসিঞ্চনৰ ব্যৱস্থা কৰা হব। আজি পানী যোগান আচনি সম্পৰ্কত ২৭ বছৰৰ পিচত চাৰিটা পঞ্চ বাৰ্ষিকী পৰিকল্পনা পাৰ হৈ যোৱাৰ পিচত যি মন্তিস্কই মাত্ৰ

১০ ভাগ ঢুকি পায়, সেই মস্তিস্ক থকা চৰকাৰৰ পৰা কি আশা কৰিব পাৰে ? মই কালি কৈছো পঞ্জাবত এশ ভাগৰ এশ ভাগত ইৰিগেট কৰিছে মেজৰ আৰু মাইনৰ ইৰিগেচনত। তামিলনাডুৱে এশ ভাগৰ এশ ভাগত দুয়োটা ইৰিগেচন কৰিছে। মহীশূৰত এশ ভাগৰ এশ ভাগ ইৰিগেটেত কৰিছে। তাত সমান জাগা নাই। পাহাৰ কাটি, পাহাৰ ভাঙি, ট্ৰেক্টৰেৰে খেতিৰ উপযোগী মাটি ওলিয়াই ইৰিগেটেড্ কৰিছে। আজি আমাৰ যিটো ভৌগোলিক ব্যৱস্থা, সেই ব্যৱস্থাত অলপ যত্ন, অলপ চেষ্টা কৰিলেই আমাৰ সুকলমে পানী যোগানৰ বন্দবস্ত হৈ যাব। শ্ৰীবৰা ডাঙৰীয়াই বান নিয়ন্ত্ৰণৰ শিতানত আলোচনা কৰোতে এটা বৰ যুক্তিসঙ্গত কথা, ভাষনত কৈছিল। সেইটো হল যে আমাৰ শ্ৰীশৰৎ সিংহ ডাঙৰীয়াৰ মন্ত্ৰী সভাই আৰু বৰ্ত্তমানৰ কৃষিমন্ত্ৰীয়ে অসমীয়া ৰাইজক সোণৰ চেলেং আনি দিব নালাগে, অসমীয়া ৰাইজক চন্দ্ৰলোকলৈ নিব নালাগে। কাৰণ সেইটো কিমান দূৰ সমীচিন হব কব নোৱাৰো। অসমীয়া ৰাইজক জীয়াই থাকিবৰ কাৰণে যিখিনি ব্যৱস্থা কৰিব লাগে তেওঁলোকক খেতিৰ মাটিৰ বন্দবস্ত কৰি দি, মাটিত সাৰ, পানী যোগানৰ বন্দবস্ত দিয়াৰ ব্যৱস্থা কৰিব লাগে। সেই ব্যৱস্থা খিনি নিতান্তই কৰা কৰ্ত্তব্য। উপাধ্যক্ষ মহোদয় এই ক্ষেত্ৰত মই এটা কথালৈ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। ৰেডিওত এখন নাটক হৈছিল। নাটকখন পৰিবেশন কৰিছিল শ্ৰীদুৰ্গেশ্বৰ বৰঠাকুৰ ডাঙৰীয়াই। আমেৰিকাৰ মানুহে চন্দ্ৰলোকত প্ৰবেশ কৰিছিল—সেই সময়ত অসমীয়া মানুহে চন্দ্ৰলোকলৈ যোৱা সম্পৰ্কত নাটক তেখেতে লিখিছিল। সেই নাটক খনৰ গোটেই বিবৰণ মই নিদিও। শেষৰ ফালে সেই চন্দ্ৰলোকলৈ যোৱা ৰথ খন কাজিৰঙাত পৰিছিল। কাজিৰঙাৰ ফৰেষ্ট গাৰ্ডে সেই মানুহ কেইজনক বান্ধি নি ফৰেষ্টৰ বেঞ্জাৰক চমজাই দিছিল। পৃথিবীৰ সকলো দেশে তুলনামূলক ভাবে সকলো খিনি পালে। কিন্তু আমাৰ শ্ৰীশৰৎ সিংহ ডাঙৰীয়াই ২৫ জন মহাৰথী লৈ বীৰদৰ্পে কৈছে অমুক হব তমুক হব, অমোক কৰিম, তমোক কৰিম, কত কি কথাৰ চলাহি। তেখেতে অন্য কিবা কৰিব দুৰৰ কথা, যিখিনি বস্তু লাগে সেই খিনি বস্তু তেখেতে আনক চমজাই দিবলৈ ওলাইছে। সেই দিনা ভাষনত তেখেতে ইয়াত এখন লিষ্ট উলিয়াইছিল—মাদ্ৰাজৰ কিমান মানুহ আছে, অন্ধ্ৰৰ কিমান মানুহ ইয়াত আছে। মই বহুতো বাজেট ভাষন শুনিলো, কিন্তু আমাৰ বিত্তমন্ত্ৰীয়ে দিয়া

ধৰণা আউল লগা ভাষন, এনেকুৱা নাটকীয় ধৰণৰ ভাষন কতো শুনা নাই। সেই ভাষনক বিত্তমন্ত্ৰীয়ে দিয়া ভাষন বুলি কব নোৱাৰি। আমাৰ কোনোবা গাৰৱ ঘটিবাম বাতিৰামে যি ভাষন দিব তাতোকৈ কোনো গুণে উত্কৃষ্ট ভাষন তেখেতৰ নহয়। ইয়াৰ দ্বাৰা ৰাইজক অভুৱা ভৰাবলৈ, ৰাইজক প্ৰতাড়িত কৰি আওপাকে পৰিচালিত কৰাৰ বাহিৰে একো নহয়। মন্ত্ৰী হোৱাৰ পিচত তেখেতে কব পাৰিবনেকি যে কৃষি উন্নয়নৰ ক্ষেত্ৰত যিবিলাক আচনি কৰিছে তাৰ যোগেদি সৰু সৰু জলসিঞ্চনৰ ব্যৱস্থা কৰি পানী যোগানৰ বন্দবস্ত কৰিব পাৰিছে ? উপাধ্যক্ষ মহোদয়, আপুনি জানে ৰবি প্ৰগ্ৰেমৰ কাৰণে গভীৰ নলী নাদ আনিছিল। তেনেকৈ কমলপুৰ আৰু অন্যান্য সমষ্টিত পানী যোগান কৰা বন্দবস্ত কৰা সম্পৰ্কত অডিটৰ জেনেৰেলৰ এডভান্স ৰিপোৰ্ট ১৯৭৩—৭৪ চনত ওলাইছে। ইয়াৰ দ্বাৰা আচলতে শ্ৰীশৰৎ সিংহ ডাঙৰীয়াৰ দংকা বজোৱা মুখা বন্ধা মুখেই খুলি থাকিব। সাৰ আৰু জলসিঞ্চনৰ কাৰণে যিমান টকা খৰচ কৰা দেখুৱাইছে প্ৰকৃততে তাত টকাৰ সৎব্যৱহাৰ হোৱা নাই। তাত যিমান খিনি টিউব ওৱেলৰ কথা উল্লেখ কৰিছে আজিলৈকে ফাংচনিং কৰা নাই। কৃষিমন্ত্ৰীয়ে মাজুলিলৈ গৈছে নে নাই কব নোৱাৰো। কেৱল টুৰ প্ৰগ্ৰেমত দেখো ধুবৰীত আৰম্ভ হয়—দিশপুৰ ধুবুৰী দিশপুৰ ধুবৰী কৰি থাকে। অসমত এনেকুৱা এডোখৰ ঠাই আছেনে যত জলসিঞ্চনৰ ব্যৱস্থা কৰিছো বুলি কব পাৰিব। আমি কতো দেখা নাই। আধুৰুৱা কৰা হব। কৰবাত হোৱাই নাই। প্ৰজেক্ট ৰিপোৰ্ট বং কৰি কৰি নিমিলা অংক হৈছে।

আমি বেচি ভাগ ঠাইত দেখিছো মুখ্য মন্ত্ৰী সিংহ ডাঙৰীয়াই যিটোকে কৰিবলৈ গৈছে সেইটোকে অসম্পূৰ্ণভাৱে এৰি গৈছে। প্ৰতিটো ক্ষেত্ৰতে দেখা যায় এভাগ কৰিছে যদি আন ভাগটো পৰি আছে, আকৌ কোনোবা ঠাইত কব প্ৰজেক্ট ৰিপোৰ্ট হৈ আছে। যেনিয়ে তেনিয়ে ঘূৰা ঘূৰি কৰি ফুৰিছে। দেখা যায় গোটেই অংকটো এটা নিমিলা অংক হৈ পৰিছে। জলসিঞ্চনৰ ক্ষেত্ৰতো গোটেই অংকটো এটা বিৰাট নিমিলা অংক হৈ পৰিছে।

আমাৰ দেশখনৰ তথা ৰাজ্যখনৰ ক্লাইমেটিক কন্দিশ্যনতো অদ্ভুত ধৰণৰ, এঠাইত যদি বানপানী ধুমুহা বৰষুণ হৈ থাকে আকৌ আনপিনে খৰাং হৈ পৰিছে। এইটো কিছু দিনৰে পৰা হৈছে, আমাৰ হাবি জংঘল

বোৰ কাটি পেলোৱাৰ কাৰণে বহুতো ঠাইত জিয়গ্ৰাফিকেল বেকগ্ৰাউণ্ডতো চেঞ্জ্‌ হৈ আছে। ১৯৪৭ চনত বানপানীৰ আচনি যিধৰণে লোৱা হৈছিল আজি হয়তো ১৯৭৫ চনত সেই আচঁনিৰ ভিত্তিত কৰিলে সেইটো কেতিয়াও কাযাকৰী কৰিব নোৱাৰে। আমি ভাল পাইছো যে ইৰিগেশ্যন আৰু ফ্লাদ কণ্ট্ৰোল পৃথক হৈছে। মন্ত্ৰী এতিয়া ৩ জন হৈছে। আজি অক্টোবৰ মাহৰ পৰা ৬ মাহ হলহি কৃষি বা জলসিঞ্চনৰ ক্ষেত্ৰত কিবা উন্নতি হৈছে বুলি কোনেও কব নোৱাৰে। ৰবি ক্ৰপচৰ কথা সঁচা কথা কোৱা হৈছে। কিন্তু মুখ্য মন্ত্ৰীয়ে তেখেতৰ অইন সকলো কথা বাদ দি কেৱল ধুবুৰীতেই অহা-যোৱা কৰি আছে আৰু সকলো টকা-পইচা তাতেই দিলে যদি কৰবাত ঘোৰা-তোৰা যোগান কৰিব পাৰে কৰক। তাৰেই ঘুৰি ফুৰি ধুবুৰীৰ উন্নতিৰ কাৰণে যি পাৰে কৰক. তাত আমাৰ আপত্তি নাই। গোটেইখিনি টকা দি হলেও ধুবুৰীতেই জলসিঞ্চনৰ কাম ভালমতে কৰক, কিন্তু ধুবুৰীতো একো কৰিব পৰা নাই। কথাটো হল এনেধৰণৰ — বাঁও কণীত উমনি দি লাভ নাই, বাঁও কণীত উমনি দিয়া শিলগুটিৰ ওপৰত উমণি দিয়া একেই কথা, হাঁহ কুকুৰা চৰাইয়ে খোলাটোৰ ওপৰতে বহি থাকিব পোৱালী ওলাব বুলি, ঠিক তেনেধৰণে আজি ২৭ বছৰত ভিতৰতো জনসাধাৰণক একো দিব পৰা নহল, যিখিনি আগতে পাইছিলো সেইখিনি কাঢ়ি নিলে। গতিকে ডাঙৰ ডাঙৰ মেজৰ ইৰিগেশ্যনৰ কথা চিন্তা নকৰি এতিয়া আমি সৰু সুৰা যিবিলাক জান-জুৰি আছে সেইবিলাক নিয়ন্ত্ৰন কৰি কৰবাত কৰবাত চাপ বান্ধি দৰকাৰী ঠাইত নলা খন্দা ইত্যাদিত জোৰ দিব লাগে।

মুখ্য মন্ত্ৰী ডাঙৰীয়াই কৈছিল বেম্বো চেল' ফিল্টাৰৰ ব্যৱস্থা কৰা হৈছে, কিন্তু আমি জানিব নোৱাৰিলো সেইবিলাক বেম্বো চেল'ৰ কাৰণে কাক বাহনে ভলুকা বাঁহ নে জাতি বাহ লগোৱা হৈছিল, কিয়নো এই আচঁনিত ৫০০০ টকা ধৰা হৈছিল, কিন্তু আমি হলে কতো নেদেখিলো এই বেম্বো চেল' টিউবৰ ব্যৱস্থা, গতিকে এই টকাখিনি ক'ত খৰচ কৰা হল ? সেই বিষয়ে জনাবনে ? মন্ত্ৰী ডাঙৰীয়াই হয়তো ভলুকা বাহ কামত লগাইছিল কিয়নো তেখেত ভলুকা বাহৰ নিচিনা দেখিবলৈ।

১৯৭৩।৭৪ চনৰ ৰবিক্ৰোপৰ ক্ষেত্ৰত মাইনৰ ইৰিগেশ্যনৰ কাৰনে

যিমান টকা খৰচ কৰিছিল সেই টকা বিলাক ক'ত গল ? আজি অসম তথা ভাৰতবৰ্ষৰ গণতন্ত্ৰ বিপদাপন্ন হৈ পৰিছে। সকলো আচনি যদি যুগুত কৰা হয় সেইবিলাক ৰাজনৈতিক ভিত্তিত কৰা হয়। কোনো চাইন্টিফিক বেচিচ নাই, য'ত পাৰাৰফুল মন্ত্ৰী আছে তাতেই সকলো হব আনকি য'ত আচঁনি কৰিলে তাত জনসংখ্যাৰ সহায় হোৱাৰ লগতে আচঁনি কৃতকাৰ্য্য হব পাৰে তাত আচঁনি যুগুত নকৰি এনে ঠাইত কৰিবগৈ য'ত সেই আচঁনি হয়তো কোনোমতেই কাৰ্য্যকৰী নহয়। আগৰ চাম আপোনালোকৰ নিজৰেই চৰকাৰ আছিল তেওঁলোকে যি কৰিলে কৰিলে, কিন্তু এতিয়াৰ চৰকাৰে যোৱা ১৯৭২ চনৰে পৰা গাদীত অহাৰ পিচত কি কৰিলে ? সকলো ক্ষেত্ৰতে ফেইলাৰ হোৱা নাই নে ? সকলো ক্ষেত্ৰতে ৰাইজক বিপথে নিয়া নাইনে ? কিমান ৰাইজক বিপথে পৰিচালিত কৰিলে ? ৰাইজক কিমান বাৰ প্ৰবঞ্চনা কৰিছে ?

আজি যুদ্ধৰ সময়ত শৰৎ সিংহৰ ল'ৰা-ছোৱালী নাযায় দুলাল বৰুৱাৰ ল'ৰা-ছোৱালী নাযায় যাব কাৰ ল'ৰা-ছোৱালী, সেই দুখীয়া কৃষকৰ ল'ৰা-ছোৱালীক যুদ্ধৰ বলিশালত আগবঢ়াই দিয়ে, ভাৰত স্বাধীন শৰৎ সিংহই অনা নাই বন্দুকৰ গুলি বুকুত পাতি লৈছিল কনকলতা কুশল কোঁৱৰে, মহাত্মা গান্ধীৰ নেতৃত্বত দেশ স্বাধীন হ'ল কিন্তু আজি এই চৰকাৰে দুখীয়া জনসাধাৰণক সম্পূৰ্ণ ভাৱে বাৰ বাৰ প্ৰতাৰিত কৰিছে, মই সতৰ্ক কৰি দিছো, বেচি দিন আৰু নাই, সময় আহিছে, সময়ে আহি উকিয়াইছে।

মাননীয় উপাধ্যক্ষ :—আপুনি শেষ কৰক।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ—মই শেষ কৰো, নহবা মানে আমি কৈয়েই থাকিম কিজানিবা কাৰোবাৰ চুলি কাণ নাকত অলপমান বৈ যায়, কৰবাত আশ্ৰয় পায়। কেন্দ্ৰীয় চৰকাৰে মাইনৰ ইৰিগেশানৰ নামত যথেষ্ট পৰিমানে টকা দিছিল কিন্তু দুখেৰে কবলগীয়া হৈছেঁ। যে সেই সময়ত আচনি প্ৰস্তুত নহল তেতিয়া বৰ্তমাণ ৰাষ্ট্ৰপতি আলি আহমদ আছিল। এতিয়াও পৰিকল্পনা আয়োগে টকা-পইচা দিবলৈ সাজু আছে বুলি কৈছে কিন্তু মাইনৰ ইৰিগেশ্যনৰ আচঁনি প্ৰস্তুত নহল, এতিয়াহে খৰধৰ লগাইছে।

# Calling Attention

**Mr. Deputy Speaker** :— It is 5 O'clock now. Now item No. 3.

**Shrimati Renuka Devi Barkataki** :— Sir, under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly I beg to call the attention of the Minister, Supply to the news item appearing in the Dainik Asom dated 18th January, 1975 under the caption "বিশেষ পাৰমিটৰ লীলা"

**শ্ৰীগজেন তাঁতী মন্ত্ৰী** :— বাতৰিটোত কোৱা হৈছে যে বৰপেটাত যোৱা জানুৱাৰী মাহৰ আগৰ ৪।৫ মাহত চৰকাৰী সুলভ মূল্যৰ দোকানত চাউলৰ যোগান ধৰা হোৱা নাছিল আৰু বাইজে আটা-ময়দা যোগানৰ সুবিধাৰ পৰাও বঞ্চিত হৈছিল। বাতৰিটোত পুণৰ কোৱা হৈছে যে যোৱা ডিচেম্বৰ মাহত যোগান ধৰা আটা বৰপেটাৰ যোগান বিভাগৰ কৰ্তৃপক্ষই বিশেষ পাৰমিট যোগে বিশেষ লোককহে দিছিল আৰু এই সংক্ৰান্তত যোৱা ৮।১।৭৫ তাৰিখে এজন বিষয়াই গোপনে এটা বিশেষ গ্ৰামাঞ্চলৰ বিশেষ লোকক প্ৰায় ৬০ বস্তা আটাৰ বিশেষ পাৰমিট দিছিল।

উক্ত বাতৰিটো তদন্ত কৰি তলত এটা চমু বিবৃতি দাঙি ধৰা হ'ল :

যোৱা ডিচেম্বৰ আৰু জানুৱাৰী মাহৰ বাহিৰে আন আটাই-কেইটা মাহতে বৰপেটা মহকুমাৰ বাবে চাউলৰ যোগান ধৰা হৈছিল, যিহেতু উক্ত সময় ছোৱা ধান চপোৱাৰ সময় আৰু মুকলি বজাৰত যথেষ্ট পৰিমাণৰ চাউল পোৱা যায় সেইবাবে উক্ত সময়ছোৱাত চৰকাৰে বিতৰণ কৰা চাউলৰ যোগান কিছু কমাই দিয়া হয়। কিন্তু সকলো সময়তে ঘেঁহু আটা-ময়দাৰ যোগান ধৰি থকা হৈছে।

গতিকে বাতৰিটোত উল্লেখ কৰাৰ দৰে আটা ময়দাৰ যোগানৰ

সুবিধাৰ পৰাও বঞ্চিত কৰাৰ অভিযোগটো সত্য নহয়।

ৰৰপেটাৰ বিভিন্ন অঞ্চলত গ্ৰাহকৰ প্ৰয়োজন অনুযায়ী সুলভ মূল্যৰ দোকানৰ যোগেদি আটা ময়দাৰ বিতৰণ কৰি থকা হৈছে। যোৱা ডিচেম্বৰ মাহত বজাৰত নতুন ধান চাউল ওলোৱাৰ বাবে সুলভ মূল্যৰ দোকানৰ কাৰণে আবণ্টন দিয়া আটা, সুলভ মূল্যৰ দোকানীয়ে নিয়া নাছিল। যোৱা ২২।১।৭৫ ইং তাৰিখে মহকুমা খাদ্য সংগ্ৰহ আৰু বিতৰণ সমিতিয়ে প্ৰস্তাৱ লয় যে যিবিলাক আটা দোকানীয়ে নিনিয়াৰ বাবে জমা হৈ আছে সেইবিলাক আন ইচ্ছুক দোকানীয়ে দৰ্খাস্তসহ আবেদন কৰিলে নিবলৈ দিব পাৰে। গতিকে দেখা যায় যে, প্ৰকৃততে ডিচেম্বৰ মাহৰপৰা ধান চাউলৰ পৰিস্থিতি উন্নত হোৱা বাবে কেতবোৰ অঞ্চলত আটাৰ চাহিদা কমিহে যায়।

বাতৰিটোত উল্লেখ কৰাৰ দৰে যোৱা ৮।১।৭৫ তাৰিখে ৰৰপেটাৰ কোনো বিশিষ্ট লোকক আটাৰ বিশেষ পাৰ্মিট দিয়া হোৱা নাই আৰু বাতৰিটোত উল্লেখ কৰা অভিযোগটো সত্য নহয়।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে এই বিষয়ে এটা তদন্ত কৰা হৈছে। ২১।১।৭৫ তাৰিখে মিটিং হৈছিল আৰু তেওঁলোকে তাত সিদ্ধান্ত লৈছিল যে, এই তদন্ত কোনে কৰিছিল আৰু কেনেকৈ এই আটা বিলাক বেপাৰী বিলাকে নিলে ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী)°— ২১ তাৰিখৰ মিটিঙত কোৱা হৈছিল যে, যিখিনি আটা মানুহে নিয়া নাছিল সেই আটাখিনি অন্যান্য বেপাৰীয়ে দৰখাস্ত দিলে দিয়া হব।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী :— অধ্যক্ষ মহোদয়, এই তদন্ত কোনে কৰিছিল ? কোন বিভাগে কৰিছিল ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী)°— এই বিষয়ে মই কৈছো। আমি এচ, দি. ও, ৰৰপেটাৰ পৰাও ৰিপোৰ্ট পাইছো।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী :— ইয়াত কি কি দিয়া হৈছিল ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী):— এইটো মোৰ মনত নাই।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :— অধ্যক্ষ মহোদয়, মই এটা কথা জানিব বিচাৰিছো যে, নবেম্বৰ, ডিচেম্বৰ, আৰু জানুৱাৰী মাহত আমাৰ বানপানীত বিদ্ধস্ত অঞ্চল-বিলাকত সাহায্য দিবৰ কাৰণে যি আটা ভাৰত চৰকাৰৰ পৰা অনা হৈছিল সেই আটাখিনি সেই বানবিদ্ধস্ত অঞ্চল বিলাকত বিতৰণ কৰা নাছিল এতিয়া সেই আটাখিনি কি হল ? আৰু এইটো কথা সচানেকি যে, এজন মানুহক পাৰমিট দি সেই আটাখিনি দিয়া হল ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী ঃ— বৰপেটাৰ বানবিদ্ধস্ত এলেকাৰ কাৰণে কোনো সুকীয়া আটা কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা নাই । আৰু বৰুৱা ডাঙৰীয়াই যি অভিযোগৰ কথা কৈছে সেইটো সত্য নহয় ।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ঃ— মহোদয়, নবেম্বৰ, ডিচেম্বৰ আৰু জানুৱাৰী মাহৰ কোটা কি হল ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) :— যি আটা পোৱা হৈছিল সেইয়া ভাগ কৰি দিয়া হৈছে ।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী ঃ— মহোদয়, যিখিনি চাৰপ্লাচ আটা সেইখিনি চৰকাৰে কাক বিক্ৰী কৰিলে ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) ঃ— সেইটো তদন্ত কৰা হৈছে আৰু তাৰ ব্যৱস্থা আমি লৈছো ।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ঃ— অধ্যক্ষ মহোদয়, সেই আটা বিলাই দিয়া নাইনে ? তেন্তে সেই আটা কাক কেতিয়া কি হিচাবে দিয়া হৈছে ?

শ্ৰীনগেন বৰুৱা :— মহোদয়, আমাৰ ফেয়াৰ প্ৰাইচ চপৰ মিটিং বিলাক প্ৰতি মহকুমাতে আগষ্টতে শেষ হল । তাৰ পাছত আকৌ বেলেগ এটা কমিটি কৰি দিছে । গতিকে তাৰ লগত সেই কমিটিৰ মিল আছেনে নাই ?

শ্ৰীগজেন তাতী (মন্ত্ৰী) :— ইয়াত কৈছো যে, The unlifted atta may be distributed through fair-price shops when come with application.

শ্ৰীনগেন বৰুৱা :— কোন মাহৰ কোন তাৰিখে ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী):— ২১।১।৭৪ ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :— বৰপেটা মহকুমাৰ যত ষ্টক ৰাখিছিল আৰু যিখিনি বিতৰণ কৰা হোৱা নাছিল আৰু মানুহে খাবলৈ নোপোৱা স্বত্বেও চাৰপ্লাচ বুলি কৈছিল সেই বস্তু খিনি কেতিয়া আৰু কাক দিয়া হল ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী):— কোন মাহৰ কোন তাৰিখে বিতৰণ কৰা হল সেই বিষয়ে যদি ষ্টেটমেণ্ট লাগে তেন্তে মই দিম ।

# Matter Uuder Rul 301

Shri Dulal Chandra Barua :— Mr. Deputy Speaker, Sir, under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly I want to raise a matter relating to the news item appearing in the Dainik Asom, dated 26th Jauiary, 1975, under the caption "নাটকৰ শ্ৰেষ্ঠাংশত আৰু পৰিচালনাত শিক্ষাসচিব"

চাৰ, ইয়াত যিটো খবৰ বাহিৰ হৈছে সেইমতে ইয়াত উল্লেখ কৰা হৈছে যে আমাৰ শ্ৰীকালি নাথ শৰ্মা ডাঙৰীয়া ডিৰেক্টৰ হৈ থকাৰ পিচত তেখেতক তাৰ পৰা কিবা প্ৰকাৰে অপসাৰণ কৰাৰ পিচত এডিচনেল ডি, আই, কৰাত বিধান সভাত কথাটো আলোচনা হোৱাৰ পিচত এ, চি. এচ বিষয়া ডিৰেক্টৰ হিচাবে দিছে । আমি আপত্তি কৰিছিলো যে সেই ব্যৱস্থা অস্থায়ী বুলি মন্ত্ৰী মহোদয়ে কৈছিল । কিন্তু দেখা গল যে কেইবা বছৰো ধৰি সেইজন বিষয়াক ডিৰেক্টৰ হিচাবে ৰখা হল । তাৰ পিচত কথাটো এ, পি, এচ চিলৈ পঠোৱা হল আৰু তেওঁলোকে বিজ্ঞাপন দিলে । যিকোনো কাৰণতেই নহওক শৰ্মা ডাঙৰীয়া সকলোতকৈ চিনিঅ'ৰ হোৱা স্বত্বেও তেখেতক তাত ৰখা নহল এইটো শিক্ষা বিভাগ, ইয়াত আই. এ, এচ বা এ, চি এচৰ কথা নুঠে। চৰকাৰী কলেজত যিসকল শিক্ষকে চাকৰি কৰি আছে সেই সকলৰ কোনো প্ৰমোচনৰ কোনো প্ৰচপেক্ট নাই । তাৰ পিচত নমিনেচন

হোৱাৰ বহুত দিন পিচতো তেওঁক নিয়োগ পত্ৰ দিয়া হোৱা নাছিল আৰু দিয়াৰ পিচতো আমি দেখিবলৈ পাওঁ যে এজনক অস্থায়ী ভাবে থাকিবলৈ দি অস্থায়ীৰ ঠাইত এ, পি, এচ চিৰ পৰা স্থায়ী ভাবে নিয়োগ কৰা এজন লোকক জইন কৰিবলৈ দিছে। এইটো বৰ দুখ আৰু পৰিতাপৰ কথা। দুজন মানুহ একেলগে একেটা পদত কি অৰ্থত ৰখা হৈছে ? অসমৰ জনসাধাৰণে প্ৰতিনিধিত্ব কৰা যি সকল লোক সেই সকল বেয়া আৰু ভাল লোক নহয়. এইটো জ্ঞানীৰ নে মূৰ্খৰ কাম এই কথা চৰকাৰে ৰাইজক কব লগা হৈছে. ৰাইজৰ আগত আজি আচল স্বৰূপ ধৰা পৰিছে। কি কাৰণত এজন চকীত বহিলে আনজন উঠি যাব লাগে আৰু এজন এফালে সোমালে আনজন ইফালে যাব লাগে বা এজনে ফাইলৰ কাম কৰিলে আনজনে আন কাম কৰিব লাগে ? এইটোৱে শাসন যন্ত্ৰৰ গেলা কথাৰ পৰিচয় দিয়াৰ বাহিৰে আন কথা হোৱা নাই। সেইজন লোকক আমি সকলোৱে জানো আৰু সন্মান কৰো, আমাৰ বেছি ভাগৰে তেখেত শিক্ষা গুৰু। মুখ্য মন্ত্ৰী থকা সচিবালয়টোক আমি ঘৃণা কৰিব পাৰো কিন্তু সেইজন ডি, পি, আই ভঙা ঘৰত থাকিলেও যেতিয়া আমি তাৰ্হ্ঁ যাওঁ তেতিয়া আমি অতি সন্তৰ্পণে যাওঁ। আদৰ্শ থকা এটা শিক্ষা বিভাগ— এই বিভাগত কিয় এনে নাটকৰ অৱতাৰণা হৈছে ? কি কাৰণে এজনক নিয়োগ কৰা স্বত্বেও কিয় ইজনক ৰখা হৈছে ? চেক্ৰেটৰীৰ জেদ পূৰাবলৈ এনে কৰা হৈছে নে মন্ত্ৰী, চেক্ৰেটৰীৰ ওচৰত দুৰ্বল যাৰ কাৰণে এনে টনা আজোৰা হৈছে। এইবিলাক কথা শুনিবলৈ আৰু জানিবলৈ পালে বৰ বেয়া কথা হয়। শাসন যন্ত্ৰ ঠিকমতে চলিছে নে নাই কাৰোবাক ভাল পাই মূৰৰ ওপৰত তুলিছে আৰু কাৰোবাক বেয়া পাই অৰ্হতা থকা স্বত্বেও নিয়োগ কৰা নাই ? গতিকে মই জানিব বিচাৰিছো যে এই খবৰটো ওলোৱাৰ পিচত কোনোবাই শিক্ষা মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিছে নে নাই যদি কৰিছে কিবা ব্যৱস্থা লোৱা হৈছে নে নাই, যদি নাই হোৱা তেন্তে কিয় হোৱা নাই ? আমি ডি, পি, আই বিভাগৰ বহুত কথা, আৰু গণ্ডগোল শুনিছো, এই সম্পৰ্কে শিক্ষাৰ শিতানত যেতিয়া কৰ্ত্তন প্ৰস্তাৱ আমি মুভ কৰিম তেতিয়া তাৰ ব্যৱস্থা কৰিলম। কিন্তু দুখ আৰু পৰিতাপৰ কথাযে শিক্ষা বিভাগত চাৰিওফালৰ পৰা দুৰ্নীতিয়ে শিপা মেলিছে আৰু এইবিলাক কাৰণতে মই বিষয়টো সদনত দাঙি ধৰিছো।

Smti. Renuka Devi Barkataki :—

Mr. Deputy Speaker, Sir, we have submitted this under Rule 301 because we want to have a scope for discussion. Persistently in this House we were bringing to the notice of the house the deteriorating standard of education in the state. Not only that we were bringing to notice of the house about the anomalies going on in the department of Education. Today we are bringing in a serious charge in which matter the Secretary, Education, the Minister-in-charge, the Joint Secretary and some other officials of the Directorate of Education are also involved. We do not want to mention the names. The drama which was enacted on 18.6.73 and which culminated on 18th January, 1975, only that drama we want to bring to the notice of the House. It will be dereliction of duty if as representatives of the people we do not bring it to the notice of the House. Sir, the Education Department peopele were demanding that these two posts the posts of D.P.I. and Principal of Cotton College should be filled up from persons in the Education Department. And so long Government was filling up these two posts from the Education Service since the time of late Shri B.P. Chaliha. We do not know why this policy has been changed now. The people of the minority are very often heard to complain that whenever a person from the minority community attains that Seniority to come to one of these posts the matter is sent to the A. P. S. C. Even people who speak Bangali or any other language when they attain the position of holding these posts the Government changes its policy. What are the

complaints against the Education Department ? They are: one Shri Fazal Ali who was the head of the Islamic Department was the A.D.P.I. When he attained that seniority to get the post of D.P.I. he was deprieved of the post by taking a person from the A.C.S. Then there is the case of Shri Atul Dutta. Many of the Hon'ble Members were the students of Shri Dutta. He was the professor of Botany. His book on Botany is getting international recognition. Similar was the case of Shri Nurul Islam. He was at one time the professor of Mathamatics in Cotton College. He served as the A.D.P.I. but when the post of D.P.I. became due to him the post was advertised.

Prof. Nurul Islam—who had a brilliant academic career combined with administrative experience in various fields of education service. He was my professor also. He served as A.D.P.I. denied the post of D.P.I. for which he had to file a case in the Court who ultimately preferred to opt to Meghalaya Service since retired and joined as member of the A.P.S.C. Prof. A. Jalil, Head of Department of Philosophy—being deprieved of the post he opted for Gauhati University.

Similarly Sir, this drama continued, till Shri U. Sarma was forced to retire. According to seniority Shri K.N. Sarma was to be appointed as D.P.I., but the Govt. decided to appoint Shri R.M. Goswami a Deputy Secy. of the State Govt. who is much junior if his service as Botany lecturer is connected. He was brought to this Deptt. from the back door. How it was done ?

The D.P.I.'s post was kept in abeyance. A new post was created—A.C.S, Class I at a scale of Rs.1000 to 1300/and the post was filled up by Shri Goswami. Shri Goswami joined as D.P.I. on this new post on 18.6.73, the post was regularised on 24.7.73. The appointment was valid the regular post was filled up.

There was strong resentment among the people of Education services, I felt for Dr. K.N. Sarma, the way he was kicked out from the Deptt: Sir, we, this generation of this House is, to some extent, grateful to these senior people in the education service. Myself Shri Dulal Barua, Shri Haran Talukdar, Mrs. Pranita Talukdar, Shri Manabendra Sarma and many of us of this House were students of these senior persons of education Service:

So when depriving these officers from their due post, along with the people of education service we were also disappointed. We brought the matter to the attention of the House. But the Education Minister told us that was purely tomporary post and Govt. has decided to fill up the post through A.P.S.C. Sir, purely temporary post took 20 months to be filled up. Anyway now let us come to the whims of the Department—after the A.P.S.C. nomination. The A.P.S.C. advertised the post and for reason best known to the Deptt., the interview for the post was held twice. Till the nomination of A.P.S.C. the service of Shri R.M. Goswaami D.P.I. was extended on 30 th June, 1974. Secondly, on 30th Sept/74, Third on 31st Dec/74—till 31st March, 1975.

The A.P.S.C. advertised on 3.12.73. and Ist interview was taken on 10th May, 1974, and Second interview on 9th July, 1974 ( one candidate ). The A.P.S.C. send the nomination on 15th Oct/74. But R.M, Goswami's service was extended on 31st December, 1974 till 31st March, 1975. 15th Oct was the date of A.P.S.C. nomination. But the nomination was issued to Shri B.D. Sarmah, the Ist nominee of A.P.S.C. on 4.1.75. In the mean time after getting the nomination the Govt. was sleeping over the nomination and thereafter a notification was issued on 4th January, 1975. Notification No. ECL.129/72/92. Shri Bishnu Deb Sarma, Managing Director of Text Book Production and Publication Corppration Ltd. is appointed on probation for a period of one year as Director of Public Instruction, Assam with immediate effect Vide Shri R.M, Gyswami was transferred. And No. ECL. 129/73/92 A—On release, the services of Shri R.M;Goswami, A.C.S. Director of Public Instruction, Assam are placed at the disposal of the Appointment Department.

Mr. Deputy Speaker, I would like to know from the Education Minister why these irregular things are taking place in the Education Department.

At this stage I would also like to state that when Mr. Sarma went to take charge of his office as D.P.I. he was not allowed to take charge. In the meantime another order was issued asking Shri R.M. Goswami not to hand over his charge to Shri B. D. Sarma till he is relieved from the Text Book Production Corporation. That is why Shri R.M. Goswami did not hand over the charge to Shri

B.D. Sarma. But so far my knowledge goes the copy of the said letter was not sent to Shri B.D Sarma. Mr Sarma goes to office, Mr. Goswami also attends his office, whoever goes first occupies the chair of the D.P.I. The whole Deptt came to a standstill, it has become so rediculous, the highest office of the Directorate of Public Instruction has become an object of ridicule. The old D.P.I. demanded that he should be given a proper post in the Education Deptt and till that Mr. Sarma should not join. His hand was strengthened by another notification issued by the Secretariat. By that notification Shri Sarma was not asked to hand over his charge of his old post. But subsequently another notification was issued from the Secretariat keeping the newly appointed D.P.I. in dark and asking the old D.P.I not to hand over charge. Who issued the subsequent notification, under whose orders ? Whether it was issued by the Secretary or by the Deputy Secretary or whether it was issued in consultation with the Minister himself ? Till 4th January, these two D.P.Is were functioning in the same Chair. On 28th January, 1975, under letter No. AAA.24/-73/Pt another notification issued as 'On his services being replaced at the disposal of Appointment (A) Department by the Education Department, Shri R.M. Goswami, A.C.S. is posted as Officer on Special Duty to the Govt. of Assam Education Deptt with effect from the date he takes over charge. Sd/-S.P. Hazrika, Seceretary to the Govt. of Assam Appointment (A) Deptt.' Now I come to the Chief Minister who is the Minister in charge of Appointment Deptt. I want to know why the Govt. is so keen for giving a post to a particular person ?

I must mention here that when Shri Goswami, a person from A.C.S. Class I took charge of the D.P.I's office from Dr. K.N. Sarma, Dr. Sarma was attending one meeting of the Board of Secondary Education Committee. Shri Goswami took charge but he did not hand over his charge as Deputy Secretary. He was for some time holding duel charge. But when the question of B D. Sarma came, he was to wait for reliever. Why so sir ? Surprisingly enough I am told Sir, only when the Chief Minister inter vened, a new post was created to appoint Shri Goswami as Officer on Special Duty in the Education Deptt. Why the Govt. found such a step necessary while the D.P.I. is holding the highest post of the Education Deptt ? As a Minister he has got his duty to look after the Deptt and I should say he has failed to function properly. If there is anything inside the Department very serious in respect of appointment of Shri B.D.Sarma, the Minister should come forward and see to it. Why Shri Sarma was not allowed to hold charge of the post till 28th January and why he was not allowed to function till that date ? In the International women year many things happened in the D.P I. Office, but I am not stating here all these things. I only want that the Minister of Education should place all things in the House. We are very much perturbed why the Minister could not take any action for such a long time, till 28th January. Why this special 'Mohabbat' is there for a particular person ? Sir, Goswami is a man from A.C.S.I. At the time of his appointment it was said that the appointment was purely temporary. Sir, I want

to know why this special favour. This is my submission.

শ্রীনগেন বৰুৱা :— মাননীয় উপাধ্যক্ষ মহোদয়, মই এই সম্পৰ্কত শিক্ষা মন্ত্ৰীৰ ওপৰত দুই এষাৰ কথা কম। কিন্তু এই সম্পৰ্কত মাননীয় সদস্য সকলে যি কৈছে তাৰ লগতে মই কেইয়াষাৰমান কথা কবলৈ বিচাৰিছো। ডি পি আইৰ পদটোৰ সম্পৰ্কত আজি দুই বছৰ মানৰ আগৰ পৰাই আমাৰ চৰকাৰৰ শিক্ষা বিভাগৰ ডি পি আইৰ জৰিয়তে নানা ধৰণৰ বেমেজালি আৰু দুনীৰ্তিৰ খবৰ পোৱা গৈছিল। সেই খিনি সময়ত এনেকুৱা এটা বাতা বৰণৰ সৃষ্টি হৈছিল যে সকলোৱে শিক্ষা বিভাগৰ ডি পি আই এডিচনেল ডি পি আই আদিৰ কৰ্মদক্ষতাহীনতা আৰু অভিজ্ঞতাহীনতাৰ কাৰণে এই বাতাবৰণৰ সৃষ্টি হৈছিল। সেই সময়ত এই কথা কোৱা হৈছিল যে যি সকল মানুহ এই বিভাগলৈ নাযায় তেনেহলে অন্য ব্যৱস্থা কৰিব লাগে। এই বিষয়ে শ্ৰীমতী ৰেণুকা দেৱী বৰকটকীয়ে কৈ গৈছে। বৰ্ত্তমান কোৱা হৈছিল যে আই এ এচ অফিচাৰে চলাব পাৰিব। কাৰণ তেখেত সকলৰ অভিজ্ঞতা আছে। তাৰ পিচত বিধান সভাতো এইটো কথাৰ প্ৰতিবাদ হল আৰু বাজহুৱা ভাবেও ইয়াৰ আপত্তি কৰিলে। তেতিয়া চৰকাৰে পষ্টতো এডভাৰটাইজ কৰাৰ কথা উলিয়ালে। মই কটন কলেজৰ ছাত্ৰ হিচাবে আনুগত্য হলেও ইয়াৰ এটা সুবিচাৰ বিচাৰো। আমাৰ শ্ৰীশৰৎ চন্দ্ৰ সিংহই এনেকুৱা ভাৱ মুৰ্ত্তি ডাঙি ধৰিলে যে তেখেত এজন ডাঙৰ সংস্কাৰক আৰু ৫ বছৰত ভিতৰতে এই সকলো বিলাক সংস্কাৰ কৰিব। আৰু সেই দৰে শ্ৰীহৰেন তালুকদাৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াই শিক্ষা বিভাগ আৰু পৰিবহন বিভাগত সংস্কাৰ সাধন কৰিবলৈ লৈ ডি পি আইৰ পদতেই হাত দিলে। আৰু তেখেতক বঞ্চিত কৰিবৰ কাৰণে ব্যৱস্থা ললে। নাজানো তেখেতৰ ইয়াত কিবা আক্ৰোশ আছেনেকি ? যি জন বিষয়াক শিক্ষা বিভাগৰ সচিব কৰি অনা হল তেখেত কামৰূপৰ দি চি থকা সময়তে গুৱাহাটীৰ মাটিৰ সম্পৰ্কত হোৱা কেলেংকাৰী তেখেতৰ ওপৰত আছে। তেখেতৰ শাস্তি হোৱাটো ৰাইজে বিচাৰিছিল। কিন্তু তেখেতৰ শাস্তি নহল বৰং তেখেতৰ পদোন্নতিহে হল। আৰু তেখেতে যি বিলাক কাম হাতত লৈছে তাৰ দ্বাৰাই ডি পি আই পদত ঘটোৱা কেলেংকাৰীৰ দ্বাৰাই অপযশ আনিলে। এই কথা প্ৰমানিত হৈছে। কিন্তু যোগ্যতাক কোনেও ধাকি ৰাখিব নোৱাৰে।

শিক্ষাবিদ মানুহ হিচাবে তেখেত সকলৰ যোগ্যতা আছে। প্ৰকৃত শিক্ষাবিদ হিচাবে যোগ্যতাৰো স্বীকৃতি আছে। কিন্তু শেষত গৈ ডি, পি, আই হলগৈ এ, চি, এছ কেদাৰৰ মানুহ এজনহে। শ্ৰীকালিনাথ শৰ্ম্মা ডাঙৰীয়াক নিযুক্তি দিবৰ সময়ত জাননীত কিছুমান বিশেষ ধৰণৰ কথা ৰাখিলে। যি সকলৰ যোগ্যতা আছিল সেই সকলক বঞ্চিত কৰা হল। শিক্ষা মন্ত্ৰীৰ ভাল পোৱা মানুহ আছিল কাৰণেই এনেকুৱা হল। শ্ৰীৰাজেন গোস্বামীক যেতিয়া ডি, পি, আই পাতিলে তেতিয়া একেদিনাৰ ভিতৰতে নিয়োগ পত্ৰ পালে, একেদিনাৰ ভিতৰতে কাৰ্য্যভাৰ তেওঁৰ হাতত অৰ্পণ কৰা হল আৰু একেদিনাই তেওঁ কাৰ্যভাৰ ললে কিন্তু যি জন চিলেক্টেড-লোক সেই মানুহ জনক পাছ মাহৰ মূৰতো কাৰ্য্যভাৰ দিব নোৱাৰে। কাৰ্য্যভাৰ লবৰ কাৰণে অফিচলৈ গলেও তেওঁক যথাযোগ্য ভাৱে কাৰ্য্যভাৰ দিয়া নহয়। এইখিনি কিয় হৈছে ? শিক্ষা সচিবালয়ত দুনীতি ইমানেই হৈছে যে, নিয়োগৰ ক্ষেত্ৰত এ, পি, এছ, চিৰ বিধি বিধান কৰবাত আওৰাই থৈছে। জাননীৰ টো কথাই নাই। ক্লাছ টুত থকা মানুহক ক্লাছ ওৱানত নিয়োগ কৰিছে। ডি, ডি পি, আই পদত নিয়োগ কৰিছে। 'মেল' ও নহয়, 'ফিমেল'। ট্ৰাইবেলো নহয়। চাৰি দিনৰ আগতে এচিষ্টেন্ট ইন্সপেক্টৰক আনি সেইটো পদত ৰাখিছে। এনেকুৱা এনে কিছুমান পদো আছে যিবিলাক খালি হৈয়েই আছে। তাৰোপৰি, 'ফিমেল education ৰ কাৰণে এচিষ্টেন্ট ইন্সপেক্টৰকে আনি ডেপুটি Director পষ্ট দিছে। তাৰ কাৰণে কোনো জাননী দিয়া নাই। এইবোৰ কিয় হৈছে ? শিক্ষা সচিব আৰু শিক্ষা মন্ত্ৰীৰ অনুগ্ৰহতে এইবোৰ হবলৈ পাইছে। দুনীতিৰ মাত্ৰা বাঢ়িছেহে। স্বজন তোষণ নীতিৰ আশ্ৰয় চৰকাৰে লৈছে। গতিকে এই বিষয়ে আমি এটা তদন্তৰ দাবী কৰিছো যাতে ৰাজহুৱা ধনৰ এইদৰে অপচয় হব নোৱাৰে আৰু শিক্ষাবিদৰ সন্মানো যাতে অটুট থাকে।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( মন্ত্ৰী ) :—

অসমৰ শিক্ষাধিকাৰৰ পদটো খালি হোৱাৰ বাবে তাক পূৰণ কৰিবলৈ অসম লোক সেৱাৰ যোগেদি বিজ্ঞাপন প্ৰচাৰ কৰি এজন যোগ্যতা-সম্পন্ন ব্যক্তিক নিযুক্তি দিবলৈ চৰকাৰে সিদ্ধান্ত কৰে। কিন্তু, লোক সেৱা আয়োগৰ যোগেদি সেই পদ পূৰণ কৰোতে কিছু পলম হব বুলি

ভাবি অসম চিভিল চাৰ্ভিছৰ এজন উচ্চ পদস্থ বিষয়াক উক্ত পদ সাময়িক ভাবে চলাবলৈ নিয়োগ কৰা হয়। এই বিষয়াজনে অসম সচিবালয়ৰ শিক্ষা বিভাগতে কাম কৰি আছিল ।

অসম লোক সেৱা আয়োগে যথাসময়ত প্ৰাৰ্থীৰ যোগ্যতা অনুসৰি পদটোৰ বাবে অনুমোদন আগবঢ়ায় আৰু চৰকাৰেও সেই অনুমোদন গ্ৰহণ কৰি প্ৰথম গৰাকী প্ৰাৰ্থীকে শিক্ষাধিকাৰৰ পদত নিযুক্তি দিয়াৰ সিদ্ধান্ত লয় ।

অসম লোক সেৱা আয়োগৰ অনুমোদনৰ ভিত্তিত প্ৰথম প্ৰাৰ্থী-জনক নিযুক্তি দিয়াৰ সিদ্ধান্ত লোৱাৰ লগতে ইমানদিনে অস্থায়ীভাবে শিক্ষা-ধিকাৰৰ পদত থকা চিভিল চাৰ্ভিছৰ বিষয়াজনক তেওঁৰ অভিজ্ঞতাৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষা বিভাগৰ সচিবালয়তে বিশেষ বিষয়া হিচাবে (Officer on Special duty) নিযুক্তি দিয়াৰ সিদ্ধান্ত লোৱা হয়। লোক সেৱা আয়োগে শিক্ষাধিকাৰৰ পদৰ বাবে মনোনয়ন দিয়া প্ৰাৰ্থীজন অসম পাঠ্য-পুথি প্ৰণয়ণ আৰু প্ৰকাশন নিগমৰ মেনেজিং ডিৰেক্টৰ আছিল । এই পদটো পূৰাবৰ বাবে শিক্ষা সচিবালয়ৰ বিশেষ বিষয়া জনকে তেওঁৰ নিজৰ কামৰ উপৰিও এই দায়িত্বৰ ভাৰ অৰ্পণ কৰা বিষয়টো বিবেচনা কৰা হয় ।

শিক্ষাধিকাৰৰ পদত অস্থায়ীভাবে নিযুক্তি পাবলৈ চিভিল চাৰ্ভিছৰ বিষয়াজনে তেওঁৰ পূৰ্ব্বৰ বিভাগৰ অনুমোদন পাইছিল ; সেইকাৰণে, তেতিয়া তেওঁ পুণৰ নিযুক্তিৰ বাবে নতুন পদ এটা সৃষ্টি কৰাৰ প্ৰয়োজন হ'ল। বিশেষ বিষয়াৰ পদটো সৃষ্টি কৰাত কিছু পলম হোৱা বাবে লোক সেৱা আয়োগৰ অনুমোদিত প্ৰাৰ্থী, যিজনে ইমান দিনে পাঠ্যপুথি প্ৰণয়ণ নিগমৰ মেনেজিং ডিৰেক্টৰৰ দায়িত্ব বহন কৰি আছিল তেওঁক ততালিকে শিক্ষাধিকাৰৰ দায়িত্ব গ্ৰহণ কৰিবলৈ শিক্ষা বিভাগৰ পৰা নিৰ্দ্দেশ দিয়া হ'ল ।

শিক্ষাধিকাৰৰ পদৰ বাবে মনোনীত প্ৰাৰ্থী জনে ১৭।১।৭৫ তাৰিখে শিক্ষাধিকাৰ পদৰ দায়িত্ব গ্ৰহণ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিলে। ইতি-মধ্যে চিভিল চাৰ্ভিছৰ অস্থায়ী বিষয়াজনৰ বাবেও শিক্ষা সচিবালয়ত বিশেষ বিষয়া স্বৰূপে যোগ দিয়াৰ অনুমোদন পোৱা গ'ল।

লোক সেৱা আয়োগে বাছি দিয়া প্ৰাৰ্থী গৰাকীয়ে শিক্ষাধিকাৰৰ পদৰ দায়িত্বৰ উপৰিও অসম পাঠ্যপুথি প্ৰণয়ণ আৰু প্ৰকাশন নিগমৰ মেনেজিং

ডিৰেক্তৰৰ দায়িত্বও বহন কৰি যোৱাৰ ইচ্ছা প্ৰকাশ কৰাৰ কাৰণে কিছু ভুল বুজা বুজিৰ সৃষ্টি হোৱাটো মিছা নহয়। এনে পৰিস্থিতিত অস্থায়ী বিষয়াজনে শিক্ষাধিকাৰৰ দায়িত্ব শোধাই নিদিয়াৰ বাবে আচলতে কোন গৰাকীয়ে শিক্ষাধিকাৰ হিচাবে কাম কৰিছে, সেই সম্পৰ্কে শিক্ষাধিকাৰৰ কাৰ্য্যালয়ত কিছু খেলি মেলি হৈছিল। এই সময়ছোৱাত, অৰ্থাৎ ৭।১।৭৫ তাৰিখৰ পৰা ২১।১।৭৫ তাৰিখলৈকে অসমৰ শিক্ষাসচিব গৰাকী নতুন দিল্লীত আছিল।

২০।১।৭৫ তাৰিখে শিক্ষাধিকাৰৰ দায়িত্ব শোধাই দিয়া আৰু লোৱাৰ সম্পৰ্কে যি সামান্য ভুল বুজাবুজিৰ সৃষ্টি হৈছিল সেইখিনি শিক্ষা সচিবে শিক্ষামন্ত্ৰীৰ লগত আলোচনা কৰি দূৰ কৰে আৰু গোটেই নিয়োগ পদ্ধতিটো বিধিবদ্ধ কৰে।

শিক্ষা সচিব অথবা সেই বিভাগৰ আন কোনো বিষয়াৰ দ্বাৰা চৰকাৰী সিদ্ধান্ত কাৰ্য্যকৰী কৰাত বাধা প্ৰদান কৰা বা দায়িত্বশীল কৰ্তৃপক্ষৰ কোনো নিৰ্দ্দেশ অমান্য কৰা নতুবা পৰিবৰ্ত্তন কৰা কাৰাৰ প্ৰশ্ন নুঠে।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী :— উপাধ্যক্ষ মহোদয়, মন্ত্ৰীয়ে এইদৰে পঢ়ি ষ্টেটমেণ্ট দিলেই নহব, তাৰ লগে লগে যুক্তিও লাগিব।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মঃ) ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰশাসনৰ ক্ষেত্ৰত যে, কিছু দোষ হোৱা নাই তেনে নহয়। কাৰণ কেইবাটাও বিভাগত এই বিলাক ক্ষেত্ৰ আহি পৰে। এই কাৰণেই এই কথাটো নতুনকৈ ভালদৰে অনুসন্ধান কৰি চাব লাগিব। কৰি চাই তাত যে কোনো প্ৰকাৰৰ 'লোপহ'ল' থাকিব নোৱাৰে তাৰ কাৰণে ব্যৱস্থা লোৱা হব। সেই কাৰণেই নিয়োগ আদিৰ ক্ষেত্ৰত যিবিলাক কথা মাননীয় সদস্য সকলে উত্থাপন কৰিলে, সেইবিলাক অনুসন্ধান কৰি চাব লাগিব। মাননীয় সদস্যা শ্ৰীমতী বৰকটকী ডাঙৰীয়াণীয়ে যিবিলাক 'নটিশ' পঢ়িছে সেইবিলাক হয়। সেই ধৰণে তাৰ বেলেগ বেলেগ ধৰণৰ ইণ্টাৰপ্ৰিটেস্বনো হব।

এই কথাটো শিক্ষা সচিবৰ লগত আলোচনা কৰি ৰেগুলেৰাইজ কৰিছো আৰু ২০ তাৰিখৰ পৰা শ্ৰীবিষ্ণুদেৱ

শৰ্ম্মা ডি, পি, আই হৈ আছে আৰু অফিচাৰ অন স্পেচিয়েল দিউটিত শ্ৰীৰাজেন্দ্ৰ মোহন গোস্বামী সেই তাৰিখৰ পৰা আছে। এই বিষয়ে টকা পইচাৰ দাবী উত্থাপন কৰোতে এই আলোচনা কৰিলে ভাল হব বুলি ভাবো।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী :— মন্ত্ৰী মহোদয়ে কৈছে যে গোটেই কথাটো পুংখানুপুংখৰূপে চাম। মন্ত্ৰী মহোদয়ে এই গোটেই কথাবিলাক ভালকৈ চাই আহিব লাগিছিল। শিক্ষাসচিব ৭ তাৰিখৰ পৰা ২১ তাৰিখলৈ দিল্লীত আছে। গতিকে চাৰ্জ নিদিব বুলি চেকেণ্ড নটিচখন কোনে দিলে? এই বিষয়ে মন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰি নটিচ দিছিলনে নাই? শ্ৰীবিষ্ণু নাথ শৰ্ম্মা ডি. পি, আই হোৱা হলে আজি এই অৱস্থা নহলহেতেন?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ :— এই বিষয়ে পৰীক্ষা কৰি চাম। এই হুকুমৰ বিষয়ে মই নাজানো।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :— এই কথাটো গুৰুতৰ কথা। মন্ত্ৰী মহোদয়ে নাজানে বুলি কৈছে তেতিয়া হলে চেক্ৰেটৰীয়ে মন্ত্ৰীক নজনোৱাকৈ কেনেকৈ কৰিব পাৰিলে? এই বস্তুটো ২৬ জানুৱাৰীৰ বাতৰি কাকতত প্ৰকাশিত হৈছে। তদুপৰি নটিচ দিয়া হৈছে, গতিকে গোটেই কথাটো কিয় অনুসন্ধান কৰা নাই? দ্বিতীয়তে শ্ৰীৰাজেন গোস্বামীক মেনেজিং ডিৰেক্টৰ (পাব্লিকেচনবৰ্ড) কৰিবৰ কাৰণে অৰ্ডাৰ মন্ত্ৰীক নজনোৱাকৈ দিয়া হৈছে? শিক্ষা বিভাগত বা কটন কলেজত এনেকুৱা লোক নাই নেকি যে যি লোকৰ দ্বাৰা আমি চলিব নোৱাৰো? শ্ৰীৰাজেন গোস্বামীৰ কাৰণে ইমান খিনি বিধি ব্যৱস্থা কৰাৰ প্ৰয়োজন কি? মুখ্যমন্ত্ৰীয়ে ৰাজনৈতিক কাৰণত বা কিবা অসুবিধা হয় বুলি একো মতা নাই পোষ্ট ক্ৰিয়েটো হৈ আছে। মই জানিব বিচাৰিছো যে কি কি বিশেষ কাৰণত এই স্পিচিয়েল পোষ্টটো ক্ৰিয়েট হৈছে?

শ্ৰীনগেন বৰুৱা :—শ্ৰীৰাজেন গোস্বামী ডেপুটি চেক্ৰেটৰী হিচাবে থকা কথাটো সচানে? এই এচি, এচ মানুহজনক ডি, পি, আই কৰাৰ কাৰণে ডি. পি, আই, পোষ্টটো ডিকেডাৰ কৰা হৈছে? সেই কাৰণেই ডি, পি. আই দৰ্ম্মহা বন্ধ হৈ আছে। ক্লাচ-২ এ, চি, এচ মানুহজনক ডেপুটি ডিৰেক্টৰ, ক্লাচ ১ পোষ্টত মন্ত্ৰীক নজনোৱাকৈ কিয় লোৱা হল? এই ক্ষেত্ৰত মন্ত্ৰীয়ে কি ব্যৱস্থা লব?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ঃ— উপাধ্যক্ষ মহোদয়, ডেপুটি ডিৰেক্টৰ নিযুক্তি সম্পৰ্কত সদনত আলোচনা হোৱা সময়ত কম।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী :— ১৫ অক্টোবৰত পাব্লিক চাৰ্ভিচ কমিচনৰ নমিনেচন আহিছে, জানুৱাৰী মাহত নিযুক্তি কিয় দিয়া হৈছে ? শ্ৰীৰাজেন্দ্ৰ গোস্বামীক কিয় ৩১ মাৰ্চ লৈ এক্সটেনচন দিয়া হৈছে ?

Shri Dulal Chandra Barua :— এজন মানুহৰ কাৰণে ৰুইন বদলাব পাৰে, পোষ্ট ক্ৰিয়েট কৰিব পাৰে, সকলো কৰিব। মই জানিব বিচাৰিছো— We want to know why the man has become indispensible for the Education Department for whom so many changes are made ? We want to know it categarically, is he so quolified that he is indispensible for the Government ? If he is so qualified you can make him Governor or make him even Chief Minister, I have nothing to say. But why he is shown so much favour at the cost of education and at the cost of others' career. This gentleman does not know even the least manner and does not have the sense of etiquette. What sort of education can we expect from him ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী):— উপাধ্যক্ষ মহোদয়, ১৫ অক্টোবৰত পি, এচ, চিয়ে নমিনেচন দিলে। এইটো গ্ৰহন কৰিবৰ সময়ত কিছুমান পদ্ধতি আছে সেই বিলাক ফল' কৰাত সময় লৈছে। শ্ৰীবৰুৱা ডাঙৰীয়াই যোধা প্ৰশ্নোত্তৰত কব বিচাৰিছো যে টেক্সট-বুক প্ৰডাকচন কৰপৰেচনত এজন অফিচাৰ লাগিব। ইতিমধ্যে শ্ৰীৰাজেন গোস্বামী এ, চি, এচ কেডাৰত আছে। তেখেতে শিক্ষা বিভাগত কাম কৰিছে আৰু যথেষ্ট অভিজ্ঞতা আছে। তেখেতৰ এক ডেৰ বছৰৰ অভিজ্ঞতা আছে-প্লেবাচ, আদি পাঠ্য পুথি নিগমৰ কাম কৰিছে। এই অভিজ্ঞতা থকা মানুহ জনৰ চাৰ্ভিচ ইউটিলাইজ কৰিব বিচাৰিছো।

শ্ৰীনগেন বৰুৱা :— আমি শিক্ষা মন্ত্ৰী ডাঙৰীয়াৰ থুলমূলকৈ কোৱা কথা খিনিত সন্তুষ্ট হব পৰা নাই। ডি, পি, আই নিযুক্তি সম্পৰ্কত গোটেই কথাখিনি জানিব বিচাৰিছো। এই গোটেই কথা খিনি আমাক জনোৱা উচিত। শিক্ষা

মন্ত্ৰী হিচাবে তেখেতে এই কথা বলাক জনাটো উচিত হয় নে নহয় ?

শ্ৰীপ্ৰেমধৰ বৰা :— মই শিক্ষা মন্ত্ৰী ডাঙৰীয়াক এটা নৈতিক প্ৰশ্ন সুধিব বিচাৰিছো। শিক্ষা বিভাগটো উচ্চ শিখৰত। এই শিক্ষা বিভাগৰ যিটো পবিত্ৰতা সেই পবিত্ৰতাত নৈতিক কলুষিতা লাগিছে, এই কথাটো শিক্ষামন্ত্ৰী ডাঙৰীয়াই উপলব্ধি কৰিছে নে নাই ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, মই কথা খিনি কৈয়ে গলো।

শ্ৰীদুলাল বৰুৱা ঃ— এই ক্ষেত্ৰত এটা হাই পাৱাৰ এনেকুৱাৰী কমিটি দিবনে জানিব বিচাৰিছো ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) :— এই ক্ষেত্ৰত হাই পাৱাৰ এনেকুৱাৰী কমিটিৰ প্ৰয়োজন নাই। কাৰণ মই গোটেই কথা খিনি কলোৱেই।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী :— আমাৰ এই শিক্ষা বিভাগটো নষ্ট কৰিছে। গতিকে এই ক্ষেত্ৰত এটা নিৰপেক্ষ কমিটিৰ ব্যৱস্থা কৰিব নে নাই ?

Sir, this is a very serious charge against the Education Minister and he should take it very seriously and if he does not take it very seriously then we will pursue the matter in some other form. Therefore, sir, he should make an enquiry in the matter.

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) ঃ— এনেকুৱাৰীৰ প্ৰশ্ন নাই। প্ৰশাসনৰ কথাটো প্ৰশাসনিক ভাবে চোৱা হব।

Mr. Deputy Speaker :— Now, Minister P.W.D. will make a statement .

Shri Md. Idris (Minister) :— Mr. Deputy Speaker, Sir. I would like to make a statement in connection with the St. Q No. 148. During the course of Supplementaries to the St. Q. No. 148 on 19.2.75, some Hon'ble Members had so

ught copies of our memorandum dated 4.7.74. for increasing rate of royalty on crude oil and natural gas, to the Union Minister of Petroleum and Chemicals. Earlier, I had sent copies of this memorandum to all the Hon'ble Members vide my D. O. letter dated 20.7.74. However, for the facility of the Hon'ble Members, I am placing some copies on the Library table.

## ADJOURNMENT

Mr. Deputy Speaker :— The House now stands adjourned till 10 a. m. tomorrow ( 19.3.75. )

( The House rose at 6.02 p. m. )

Dispur
18-3-75

P. D. Barua
Secretary Legislative Assembly.